সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...

Govt. of Assam Approved

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

৩০ বছৰ,৫০ সংখ্যা, ২৯ আঘোণ, ৰবিবাৰ, ১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ /১৯৯৪

RNI No. 53883/94. GHY--781025. Vol. 30: Issue No. 50 Date Of Publication - 15 December 2024 Rs.10.00/-

## ২০২৪-২৫ বৰ্ষত ৰাজ্যৰ জিডিপি ৬.৪৩ লাখ কোটি টকা হ'বঃ মুখ্যমন্ত্ৰী

ৰঙিলী বাৰ্ত্তাসেৱা- ২০২৪-২৫ বিত্তীয় বৰ্ষত ৰাজ্যখনৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন (জিএছডিপি) ৬.৪৩ লাখ কোটি টকা হ'ব বুলি ঘোষণা কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই সন্দৰ্ভত কয় যে ২০১৩-১৪ বিত্তীয় বৰ্ষত অসমৰ জিএছডিপি আছিল ১.৭৭ লাখ কোটি টকা। ২০২৪-২৫ বিত্তীয় বৰ্ষলৈ এইৰাশি ৬.৪৩ লাখ কোটি টকা হ'বলৈ সাজু হৈছে। অসম এক শক্তিশালী, স্বাস্থ্যৱান



অৰ্থনীতিলৈ গতি কৰিছে, যাৰ স্থিৰ বিকাশ আৰু ৰাষ্ট্ৰীয় গড়তকৈ ঋণৰ পৰা জিডিপিৰ অনুপাত কম।

## ড্ৰাগছ সৰবৰাহকাৰীৰ গাড়ীৰ খুন্দাত নিহত অসম আৰক্ষী জোৱান



ৰঙিলী বাৰ্ত্তাসেৱা- শ্ৰীভূমিত চাঞ্চল্যকৰ ঘটনা। শ্ৰীভূমি জিলাৰ ত্ৰিপুৰা সীমান্তৱৰ্তী চুৰাইবাড়ী নিৰীক্ষণ চকীত কৰ্তব্যৰত আৰক্ষী কনিষ্টবল এজনক ড্ৰাগছ সৰবৰাহকাৰীৰ এখন ট্ৰাকে মহটিয়াই নিয়াত থিতাতে মৃত্যু হয় কনিষ্টবলগৰাকীৰ। ড্ৰাগ্ সৰবৰাহকাৰীৰ সন্ত্ৰাসত পৰি ২৯ বছৰীয়া যুৱকগৰাকীয়ে মৰ্মান্তিক মৃত্যুক সাবটি ল'বলগীয়া হৈছে। নিহত আৰক্ষী জোৱানজনৰ নাম উজ্জ্বল বৰা। বাজাৰিছড়া থানাৰ অন্তৰ্গত চুৰাইবাড়ী নিৰীক্ষণ চকীত পুৱতিনিশা ত্ৰিপুৰাৰ পৰা এখন ১২ চকীয়া ট্ৰাক প্ৰৱেশ কৰাত তালাচীৰ বাবে কৰ্তব্যৰত আৰক্ষীয়ে গাড়ীখন ৰখোৱাৰ বাবে সংকেত দিয়ে। চালকে সংকেত উপেক্ষা কৰি আৰক্ষীৰ (দহ পৃষ্ঠাত চাওক)

## ধুবুৰীৰ পৰা গ্ৰেপ্তাৰ গড়চুক ধৰ্ষণ কাণ্ডৰ নৰমটো পাষণ্ড কৃষ্ণ বৰ্মনক

ৰঙিলী বাৰ্ত্তাসেৱা- অৱশেষত আৰক্ষীৰ জালত মহানগৰীৰ গড়চুক নিজৰাপাৰৰ জঘন্য কাণ্ডৰ পলাতক পাষণ্ড কৃষ্ণ বৰ্মন। ৰাজ্য কঁপাই যোৱা গড়চুকৰ নিজৰাপাৰৰ দুৰ্গা মন্দিৰ চৌহদৰ কাণ্ডৰ শেষৰটো অভিযুক্ত কৃষ্ণক গ্ৰেপ্তাৰ কৰিলে আৰক্ষীয়ে। ইতিমধ্যে শুকুৰবাৰেই আৰক্ষীৰ জালত পৰিছিল ৮ নৰপিশাচ। মহানগৰীৰ বৰাগাঁৱৰ নিজৰাপাৰৰ দুৰ্গা মন্দিৰ প্ৰাংগণত সংঘটিত হৈছিল এই জঘন্য ঘটনাটো। এগৰাকী মহিলাৰ সৈতে অপকৰ্ম সংঘটিত কৰিছিল যুৱকৰ দলে। দলটোত আছিল ৯জনকৈ যুৱক। ইমানতে শান্ত নাথাকি দলবদ্ধ ধৰ্ষণ কৰি প্ৰস্তুত কৰিছিল ভিডিঅ'। 'ভিডিঅ' বনাই মহিলাগৰাকীক নিৰ্মম অত্যাচাৰ চলাইছিল ৯ পাষণ্ডৰ। ধৰ্ষণ কাণ্ডৰ পাছতে যুৱক কেইজনে সামাজিক মাধ্যমত ভাইৰেল কৰি দিছিল ভিডিঅ'। ভিডিঅ' ভাইৰেল হোৱাৰ পাছতহে পোহৰলৈ আহে এই ঘটনা। আৰক্ষীৰ হাতত গ্ৰেপ্তাৰ হোৱাৰ পাছতো অতি নিৰ্লজ্জ ভাৱে ধৰ্ষণকাৰী পাষণ্ডকেইটাই সংবাদ



মাধ্যমৰ সন্মুখত নিজৰ দোষ স্বীকাৰ কৰে। ধৰ্ষণ কাণ্ডটোৰ অন্যতম মূল অভিযুক্ত কৃষ্ণ বৰ্মনক মহানগৰ আৰক্ষীয়ে ধুবুৰীৰ গোলকগঞ্জৰ আন্তৰ্জাতিক সীমান্তৰ পৰা গ্ৰেপ্তাৰ কৰে। উক্ত ঠাইৰে বাসিন্দা কৃষ্ণ বৰ্মনে আন এগৰাকী অভিযুক্ত ৰবীন দাসৰ সৈতে লগ লাগি যোৱা ১৭ নৱেম্বৰৰ নিশা জালুকবাৰীৰ পৰা ১, ০০০ টকাৰ বিনিময়ত নৈশ যাপনৰ বাবে মহিলাগৰাকীক গড়চুকৰ নিজৰাপাৰৰ দুৰ্গা মন্দিৰ চৌহদৰ নিৰ্জন স্থানলৈ নিছিল। দুয়োজনে নিজৰ কামনা চৰিতাৰ্থ কৰাৰ পাছতে তাত উপস্থিত হয় আন অভিযুক্তকেইজন। আটাইকেইজনে মহিলাগৰাকীক যৌন নিৰ্যাতন। চলোৱাৰ পাছত নিশাই তেওঁক পুনৰ জালুকবাৰীত থৈ আহিছিল। নিজৰ বিকৃত যৌন কামনা চৰিতাৰ্থ কৰাৰ পাছত ধৰ্ষণকাৰী দলটোৰ আটাইতকৈ কম বয়সীয়া সদস্য পিংকু দাস আৰু কৃষ্ণ বৰ্মনে মহিলাগৰাকীক বিবস্ত্ৰ কৰি সমগ্ৰ দৃশ্য নিজৰ ম'বাইল ফোনত বন্দী কৰিছিল। ঘটনাটো পোহৰলৈ অহাৰ পাছত ৯জন অভিযুক্তৰ ভিতৰত আঠজনে মহিলাগৰাকীক ধৰ্ষণ কৰা বুলি নিৰ্লজ্জ স্বীকাৰোক্তি (দহ পৃষ্ঠাত চাওক)

## যানজঁটত অতিষ্ঠ কুমাৰপাৰা পাঁচআলিৰ অঞ্চলবাসী

ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী মহানগৰীৰ বিভিন্ন স্থানত পথ, পদপথ দখল কৰি একাংশ লোকে অবৈধভাৱে ব্যৱসায় চলোৱাৰ ফলত ঠাইবিশেষে তীব্ৰ যানজঁটৰ সমস্যা সৃষ্টি হৈ আহিছে। ইয়াৰে এক অন্যতম উদাহৰণ হ'ল কুমাৰপাৰা পাঁচআলি কেঅাৰচি আৰু আৰু বিআৰপি পথ দুটা। কুমাৰপাৰা পাঁচআলিৰ উক্ত পথ দুটাৰ পথ আৰু পদপথ দখল কৰি একাংশ অনা-অসমীয়া ব্যৱসায়ীয়ে ব্যৱসায় চলাই অহাৰ



ফলত অঞ্চলটোত বসবাস কৰা লোকসকলে যাতায়াতৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হৈ আহিছে। কুমাৰপাৰাৰ কেঅাৰচি পথ আৰু বিআৰপি পথৰ দুয়োকাষে ফাষ্টফুডৰ দোকান খুলি আৱাসিক অঞ্চলটোৰ পৰিৱেশ বিনষ্ট কৰিছে। সদাব্যস্ত এই পথ দুটা বেদখল কৰি অবৈধভাৱে ব্যৱসায় চলোৱাৰ ফলত প্ৰতিদিনে কুমাৰপাৰা পাঁচআলিত তীব্ৰ যানজঁটৰ সৃষ্টি হৈ আহিছে। উক্ত পথটোতে কুমাৰ নাৰ্ছিং হোম, হৰিপ্ৰিয়া বিদ্যাপীঠ, এঞ্জেল ইংলিছ স্কুল, অকলেণ্ড স্কুল, বুঢ়াগোসাঁই থান, শান্তি সভাকে ধৰি বহুকেইটা ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠান আছে। সদাব্যস্ত কুমাৰপাৰা পাঁচআলিত পথ, পদপথ বেদখল কৰি অবৈধ ব্যৱসায় চলাই অহা ব্যৱসায়ীসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ কুমাৰপাৰা আঞ্চলিক উন্নয়ন সমিতিয়ে পৌৰ আয়ুক্তক বহুবাৰ আবেদন-নিবেদন কৰিছে যদিও এইক্ষেত্ৰত আজিপৰ্যন্ত পৌৰ নিগম কৰ্তৃপক্ষই কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। পৌৰ নিগম কৰ্তৃপক্ষই কোনো পদক্ষেপ গ্ৰহণ নকৰাৰ সুযোগ লৈ (দহ পৃষ্ঠাত চাওক)

# বিশ্ব দবাত ইতিহাস ৰচিলে ভাৰতৰ ডি গুকেশে




ৰঙিলী বাৰ্ত্তাসেৱা- পুনৰ দবাত বিশ্ব চেম্পিয়ন ভাৰত। কনিষ্ঠতম হিচাপে বিশ্ব চেম্পিয়নৰ সন্মান অৰ্জন কৰিলে ভাৰতীয় দবাৰু ডি গুকেশে। বৃহস্পতিবাৰে বিশ্ব দবা চেম্পিয়নশ্বিপৰ (ডব্লিউ চি চি)১৪ নং খেলখনত চীনৰ ডিং লিৰেনক পৰাস্ত কৰি ভাৰতৰ গ্ৰেণ্ডমাষ্টাৰ ডি গুকেশে বিশ্ব দবা চেম্পিয়নৰ খিতাপ অৰ্জন কৰে। মাত্ৰ ১৮বছৰ বয়সতে ভাৰতৰ ডি গুকেশে চতুৰ্দশ তথা অন্তিমখন খেলত চীনৰ ডিং লিৰেনক পৰাস্ত কৰি ইতিহাস সৃষ্টি কৰিছে। ৬.৫-৬.৫ পইণ্টৰে আৰম্ভ হোৱা খেলখন অন্তিম পৰ্যায়ত অমীমাংসিত হোৱাৰ দিশে গতি কৰা যেন হৈছিল যদিও গুকেশে শেষ হাঁহি মাৰিবলৈ সক্ষম হয়। চীনা খেলুৱৈ ডিং লিৰেনৰ এটা ভুলৰ বাবেই গুকেশে খেলখনত জয়লাভ কৰে। ৭.৫ পইন্টেৰে বিশ্ব চেম্পিয়ন হয় ডি গুকেশ। উল্লেখ্য যে যোৱাবাৰ দবাৰ বিশ্ব চেম্পিয়ন আছিল লিৰেন। কিন্তু প্ৰথমবাৰ বিশ্ব চেম্পিয়নশ্বিপত খেলিবলৈ নামিয়েই তেওঁক পৰাস্ত কৰে ভাৰতীয় খেলুৱৈগৰাকীয়ে। কনিষ্ঠতম হিচাপে বিশ্ব চেম্পিয়নৰ খিতাপ অৰ্জন কৰি গেৰী কাছপাৰভৰ অভিলেখ ভংগ কৰে গুকেশে। বিশ্বনাথন আনন্দৰ পিছত দ্বিতীয়গৰাকী ভাৰতীয় হিচাপে বিশ্ব চেম্পিয়ন হয় গুকেশ। উল্লেখ্য যে চলিত বৰ্ষতে ইতিহাস গঢ়ি দবা অলিম্পিয়াডত চেম্পিয়ন হৈছিল ভাৰত। সেই দলৰ সদস্য আছিল চেন্নাইৰ তৰুণ দবাৰু ডি গুকেশে।। মন কৰিবলগীয়া যে ভাৰতৰ প্ৰথম গ্ৰেণ্ড মাষ্টাৰ্ছ তথা প্ৰাক্তন বিশ্ব চেম্পিয়ন বিশ্বনাথনৰ চহৰ চেন্নাইতে জন্ম গুকেশৰ। পিতৃ চিকিৎসক আৰু মাতৃ মাইক্ৰ'বায়'লজিষ্ট। সাত বছৰ বয়সতে দবা খেলিবলৈ আৰম্ভ কৰা গুকেশে ৯ বছৰ অনূৰ্ধ্ব এছিয়ান

(দহ পৃষ্ঠাত চাওক)

# মাজুলীতো চতুৰ্থটো তথা বছৰৰ শেষৰটো ৰাষ্ট্ৰীয় লোক আদালত সম্পন্ন




ৰঙিলী বাৰ্ত্তাসেৱা- ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰনৰ নিৰ্দেশ মৰ্মে ৰাজ্যখনৰ অন্যান্য জিলা সমূহৰ লগতে মাজুলীটো আজি মাজুলী জিলা আইন সেৱা প্ৰাধিকৰনৰ আৰু জিলা ন্যায়পালিকাৰ সহযোগীতাত চতুৰ্থ তথা বছৰৰ অন্তিমটো ৰাষ্ট্ৰীয় লোক আদালত জিলাখনৰ কেইবাখনো আদালতত অনুষ্ঠিত হয় ।এই ৰাষ্ট্ৰীয় লোক আদালতত সৰ্বমুঠ ৰৰৰছ টা গোচৰ ধাৰ্য্য কৰা হৈছিল তাৰে ২৯৮ টা গোচৰ নিষ্পত্তি হয় আৰু মুঠ ১৫, ২৪, ৮৪৬/- টকা আহৰন

(দহ পৃষ্ঠাত চাওক)

# 'এক দেশ এক নিৰ্বাচন' বিধেয়কত অনুমোদন কেন্দ্ৰীয় কেবিনেটৰ



ৰঙিলী বাৰ্ত্তাসেৱা- সমগ্ৰ দেশত একে সময়তে নিৰ্বাচন অনুষ্ঠিত কৰাৰ লক্ষ্যৰে ৰচনা কৰা নৰেন্দ্ৰ মোদী চৰকাৰৰ অভিলাষী পদক্ষেপ 'এক দেশ এক নিৰ্বাচন' বিধেয়কখনত কেন্দ্ৰীয় কেবিনেটে অনুমোদন জনায়। সংসদৰ চলিত অধিৱেশনতে 'এক দেশ এক নিৰ্বাচন' বিধেয়ক মোদী চৰকাৰে দাখিল কৰিব পাৰে বুলি বিভিন্ন মহলে ধাৰণা কৰিছে। বিশেষ সূত্ৰৰ মতে চলিত শীতকালীন অধিৱেশনতে সংসদত এই বিধেয়ক চৰকাৰে দাখিল কৰাৰ সম্ভাৱনা আছে। উল্লেখ্য যে, চলিত বছৰত লালকিল্লাত স্বাধীনতা দিৱসৰ অনুষ্ঠানত ভাষণ দিয়াৰ সময়ত 'এক দেশ এক নিৰ্বাচন'ৰ বিষয়টোক লৈ মন্তব্য কৰিছিল মোদীয়ে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছিল যে সঘনে হৈ থকা নিৰ্বাচনৰ ফলত দেশৰ উন্নয়নমূলক কামত বাধাৰ সৃষ্টি হয়। নৰেন্দ্ৰ মোদীৰ দাবী আছিল যে সমগ্ৰ দেশে 'এক দেশ এক নিৰ্বাচন' প্ৰক্ৰিয়াক সমৰ্থন কৰিছে। সকলো ৰাজনৈতিক দলে এই বিষয়টোক সমৰ্থন জনোৱা উচিত বুলি নৰেন্দ্ৰ মোদীয়ে ভাষণত উল্লেখ কৈছিল।

(দহ পৃষ্ঠাত চাওক)

# 'জনসেৱা সঁচা মানুহ বিচাৰি'ৰ উদ্যোগত এ পি এছ পোৱা দেৱাশীষ কলিতাক সম্বৰ্ধনা



ৰঙিলী বাৰ্ত্তাসেৱা- মহানগৰীৰ ফটাশিল-গড়চুক অঞ্চলৰ স্বেচ্ছাসেৱী সংস্থা 'জনসেৱা সঁচা মানুহ বিচাৰি'ৰ উদ্যোগত ১২ ডিচেম্বৰত 'জনসেৱা'ৰ জ্যেষ্ঠ সদস্য, প্ৰাক্তন বেংক বিষয়া, নতুনবস্তিস্থিত নিবাসী শুক্লেশ্বৰ কলিতাৰ সন্তান দেৱাশীষ কলিতাই এ পি এছ চিত এ পি এছ পাবলৈ সক্ষম হোৱাত তেওঁৰ বাসগৃহত সম্বৰ্ধনা জনোৱা হয়। সংস্থাৰ সভাপতি কুমুদ শৰ্মাই আঁত ধৰা অনুষ্ঠানত পৰিচালনা সমিতিৰ সভাপতি ড° কমল শৰ্মাই ফুলৰ থোপা আৰু সম্পাদক নুৰুল হক আহমেদে ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়। উক্ত অনুষ্ঠানত জ্যেষ্ঠ সদস্য মদন মোহন তালুকদাৰ, উমেশ ভাগৱতী, নৱ প্ৰসাদ শৰ্মা, জ্যোতিষ ঠাকুৰীয়া আদি উপস্থিত থাকি দেৱাশীষৰ উজ্জ্বল ভৱিষ্যত কামনা কৰে।

# ঔপন্যাসিক অলকা বুজৰ বৰুৱাক ড° বি আৰ আম্বেদকাৰ ৰাষ্ট্ৰীয় সন্মান পদক



ৰঙিলী বাৰ্ত্তাসেৱা- ১১ ডিচেম্বৰ, বুধবাৰে নলবাৰী জিলাৰ টিহুৰ কবি, গল্পকাৰ, ঔপন্যাসিক অলকা বুজৰ বৰুৱাক দিল্লীৰ বাবু জগজীৱন ৰাম কলা সংস্কৃতি আৰু সাহিত্য একাডেমীৰ তৰফৰ পৰা নতুন দিল্লীৰ ৰাজেন্দ্ৰ ভৱনত অনুষ্ঠিত ৫৩ সংখ্যক বিজয় দিবসত ড° বি. আৰ. আম্বেদকাৰ ৰাষ্ট্ৰীয় সন্মান পদক - ২০২৪ ৰে সন্মানিত কৰে ।বুজৰ বৰুৱাই উক্ত পদকটি লোকসভাৰ প্ৰাক্তন অধ্যক্ষা মীৰা কুমাৰৰ হাতৰ পৰা গ্ৰহণ কৰে। উক্ত অনুষ্ঠানত ভাৰতবৰ্ষ বিভিন্ন ৰাজ্যৰ ব্যক্তি উপস্থিত থকাৰ লগতে নেপালৰ পৰা অহা বিভিন্ন ক্ষেত্ৰৰ বহু কেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# দিব্যাংগসকলৰ বাবে নাটক আৰু নৃত্যৰ কৰ্মশালা

ৰঙিলী বাৰ্ত্তাসেৱা- অহা ১৬ ডিচেম্বৰৰ পৰা "অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগ"ৰ উদ্যোগত আৰু "দিব্যাংগ নাট্য বিদ্যালয"ৰ সহযোগত দিব্যাংগ সকলৰ বাবে "নাটক আৰু নৃত্য"ৰ ২০দিনীয়া কৰ্মশালাৰ আয়োজন কৰা হৈছে। "দিব্যাংগ নাট্য বিদ্যালয়"ৰ অধ্যক্ষ ৰাজীৱ কুমাৰ সাউদৰ পৰিচালনাত অনুষ্ঠিত কৰা কৰ্মশালাখন অনুষ্ঠিত হ'ব গুৱাহাটী মানিক চন্দ্ৰ পথত অৱস্থিত "চেনিকুঠি নিম্ন বুনিয়াদী বিদ্যালয়ত"। কৰ্মশালাত অংশ গ্ৰহণৰ বাবে 97061-43066 আৰু 98641-12130 নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে আয়োজক মণ্ডলীয়ে।

# “২০১৪ চনত ৰাষ্ট্ৰীয় জলপথৰ সংখ্যা ৫ৰ বিপৰীতে এতিয়া ১১১লৈ বৃদ্ধি পাইছে”ঃ সৰ্বানন্দ সোণোৱাল



ৰঙিলী বাৰ্ত্তাসেৱা- কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে নতুন দিল্লীত চলি থকা শীতকালীন সংসদ অধিৱেশনত ২০১৪ চনৰ পৰা দেশৰ আভ্যন্তৰীণ জলপথ খণ্ডৰ পুনৰুজ্জীৱিতকৰণৰ ক্ষেত্ৰত হোৱা অগ্ৰগতিৰ সন্দৰ্ভত আলোকপাত কৰে। মোদী চৰকাৰে আভ্যন্তৰীণ জলপথসমূহক কাৰ্গ' তথা যাত্ৰী চলাচলৰ এক কাৰ্যকৰী পৰিৱেশ অনুকূল বিকল্প হিচাপে পুনৰুজ্জীৱিত কৰাৰ লগতে জলপথৰ সমৃদ্ধ নেটৱৰ্ক ব্যৱহাৰ কৰি সংযোগ উন্নত কৰাৰ বাবে ৬, ০০০ কোটিতকৈও অধিক পুঁজি বিনিয়োগ কৰিছে বুলি সোণোৱালে মন্তব্য কৰে। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে সংসদত সোধা জলপথ সম্বন্ধীয় প্ৰশ্নৰ উত্তৰত কয়, “প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ গতিশীল নেতৃত্বত দেশৰ জলপথৰ সমৃদ্ধ নেটৱৰ্ক আমি ত্বৰান্বিত কৰিছোঁ। ২০১৪ চনলৈকে আমাৰ দেশত মাত্ৰ ৫টাহে ৰাষ্ট্ৰীয় জলপথ আছিল। অৱশ্যে, মোদী চৰকাৰৰ নিৰন্তৰ প্ৰচেষ্টাৰ ফলত ৰাষ্ট্ৰীয় জলপথৰ সংখ্যা এতিয়া ১১১লৈ বৃদ্ধি পাইছে। যোৱা দশকত দেশৰ আভ্যন্তৰীণ জলপথসমূহ পুনৰুজ্জীৱিত কৰাৰ বাবে ৬, ০০০ কোটিৰো অধিক পুঁজি বিনিয়োগ কৰা হৈছে। সবাতোকৈ ব্যয়সাপেক্ষ, পৰিবেশ অনুকূল আৰু পৰিবহণৰ দক্ষ মাধ্যম হিচাপে বিবেচিত আমাৰ জলপথবোৰৰ সম্ভাৱনা উপলব্ধি আৰু পুনৰুজ্জীৱিত কৰাৰ দিশত এয়া এক উল্লেখযোগ্য পদক্ষেপ।” সৰ্বানন্দ সোণোৱালে লগতে কয়, “পুনৰুজ্জীৱিত ৰাষ্ট্ৰীয় জলপথসমূহে ইয়াৰ প্ৰদৰ্শন যথেষ্ট উন্নত কৰিছে কিয়নো ইয়াৰ দ্বাৰা পৰিবহণ কৰা সামগ্ৰীৰ মুঠ পৰিমাণ ২০১৩-১৪ বৰ্ষত ১৮.০৭ নিযুত মেট্ৰিক টনৰ পৰা ২০২৩-২৪ বৰ্ষত ১৩২.৮৯ নিযুত মেট্ৰিক টনলৈ বৃদ্ধি পাইছে, যাৰ ফলত ৬০০% তকৈও অধিক বৃদ্ধি হৈছে। আমি ২০৩০ চনৰ ভিতৰত জলপথৰ জৰিয়তে ১৯৯.৯৯ নিযুত মেট্ৰিক টন কাৰ্গ' চলাচলৰ লক্ষ্য নিৰ্ধাৰণ কৰিছোঁ। ২০৪৭ চনৰ প্ৰতি লক্ষ্য ৰাখি কাৰ্গ চলাচলৰ ক্ষেত্ৰত এক কাৰ্যকৰী বিকল্প হিচাপে আভ্যন্তৰীণ জলপথৰ

( নপৃষ্ঠাত চাওক)

# গুৱাহাটী জিলা পুথিভঁৰালত কনকলতাৰ জন্ম শতবাৰ্ষিকী উদ্‌যাপন




ৰঙিলী বাৰ্ত্তাসেৱা- স্বাধীনতা আন্দোলনৰ অমৰ শ্বহীদ বীৰাংগনা কনকলতাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে গুৱাহাটীৰ লক্ষীৰাম বৰুৱা সদনত কিশোৰ -কিশোৰী সমাৰেশ অনুষ্ঠিত হয়। দিনৰ ১১.৩০ বজাত সুসজ্জিত শোভাযাত্ৰাই দীঘলীপুখুৰীৰ চাৰিওফালে পৰিক্ৰমা কৰে। কিশোৰ -কিশোৰীসকলে “শ্বহীদ কনকলতা অমৰ হওঁক, শ্বহীদ কনকলতাৰ আদৰ্শৰে নিজকে গঢ়ি তোলক, শ্বহীদ কনকলতাৰ অপূৰিত সপোন গঢ়ি তোলাৰ সংগ্ৰামত নিজকে নিয়োজিত কৰক” আদি শ্লোগানেৰে ৰাজপথ মুখৰিত কৰি তোলে। এই শোভাযাত্ৰাৰ প্ৰতি ৰাস্তাৰ দুয়োকাষে থকা ৰাইজৰ সঁহাৰি আছিল অভূতপূৰ্ব। শোভাযাত্ৰাই লক্ষীৰাম বৰুৱা সদন প্ৰাঙ্গনত উপস্থিত হোৱাৰ পিছত শ্বহীদ কনকলতাৰ প্ৰতিকৃতিত শ্ৰদ্ধাঞ্জলি নিবেদন কৰে এছ ইউ চি আই (চি) দলৰ ৰাজ্যিক সম্পাদক তথা কেন্দ্ৰীয় কমিটিৰ সদস্য চন্দ্ৰলেখা দাসে। গাৰ্ড অৱ অনাৰ প্ৰদৰ্শন কৰে কমচোমল বাহিনীয়ে। ইয়াৰ পিছত আলোচনা সভাৰ কাম

( নপৃষ্ঠাত চাওক)

# হাইলাকান্দিত মনোজ ধানোৱাৰৰ সংবাদমেল



ৰঙিলী বাৰ্ত্তাসেৱা- “আগন্তুক পঞ্চায়ত নিৰ্বাচনত ৰাজ্যৰ প্ৰতিটো গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদত আম আদমী পাৰ্টিয়ে প্ৰাৰ্থী প্ৰক্ষেপ কৰিব। পঞ্চায়ত নিৰ্বাচনত আপৰ মূল ইছ্যু হ'ব চৰকাৰৰ ব্যৰ্থতা, দুৰ্নীতি আৰু অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি। জনসাধাৰণৰ এই জ্বলন্ত সমস্যা সমূহ সমাধানৰ হকে আপৰ প্ৰাৰ্থী সকলে ৰাইজৰ পৰা সঁহাৰি বিচাৰিব।” হাইলাকান্দি জিলা আপৰ কাৰ্যালয়ত অনুষ্ঠিত সংবাদমেলত দলৰ ৰাজ্যিক সভাপতি মনোজ ধানোৱাৰে এই মত ব্যক্ত কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ কেবিনেটে গোমাংস নিষিদ্ধকৰণ সন্দৰ্ভত সাংবাদিকে সোধা এক প্ৰশ্নৰ উত্তৰত ধানোৱাৰে কয়, “ জনসাধাৰণৰ মৌলিক সমস্যাৰ পৰা ৰাইজৰ দৃষ্টি আঁতৰাই নিয়াৰ বাবে চৰকাৰে এই ধৰণৰ বিষয়বোৰত গুৰুত্ব আৰোপ কৰিছে। সৰু গাড়ীৰে গুৱাহাটীৰ পৰা শিলচৰ পাবলৈ ১৩ ঘন্টা সময়ৰ প্ৰয়োজন হয়। যাতায়াতৰ বাবে বাট পথৰ অৱস্থা শোচনীয়। এইবোৰ বিষয়ৰ পৰা সকলোকে আঁতৰাই ৰখাৰ বাবে

( নপৃষ্ঠাত চাওক)

# ৰমেন চন্দ্ৰ বৰঠাকুৰ সৰ্বভাৰতীয় তৃণমূল কংগ্ৰেছ, অসম প্ৰদেশৰ নৱ নিযুক্ত সভাপতি




ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যিক জেষ্ঠ ৰাজনৈতিক ব্যক্তিত্ব ৰমেন চন্দ্ৰ বৰঠাকুৰক সৰ্বভাৰতীয় তৃণমূল কংগ্ৰেছ, অসম প্ৰদেশৰ ৰাজ্যিক সভাপতি ৰূপে নিযুক্তি প্ৰদান কৰা হয়। লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে প্ৰায় দুই শতাধিক তৃণমূল কৰ্মীয়ে উষ্ম আদৰণি জনায় সভাপতিগৰাকীক। জয়ানগৰস্থিত দলৰ মুখ্য কাৰ্যালয়ত উপস্থিত হৈ এক সংবাদমেল সম্বোধন কৰি নৱ-নিযুক্ত সভাপতি গৰাকীয়ে পোন প্ৰথমেই পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জী, সৰ্বভাৰতীয় তৃণমূল কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক অভিষেক বেনাৰ্জী আৰু সাংসদ সুস্মিতা দেৱক ধন্যবাদ জ্ঞাপন কৰে। ইয়াৰ লগতে তেখেতে কয় যে, “এতিয়াৰ পৰা তৃণমূল কংগ্ৰেছে অসম আৰু অসমীয়াৰ হকে যুঁজি যাব। স্বৈৰাচাৰী বিজেপিয়ে সাম্প্ৰদায়িক ৰাজনীতিৰে সমগ্ৰ অসমকেই বিভাজিত কৰি নিজৰ ৰাজনৈতিক

( নপৃষ্ঠাত চাওক)

# বিশিষ্ট কবি মীৰা ঠাকুৰৰ বিয়োগত অসম প্ৰকাশন পৰিষদৰ শোক



ৰঙিলী বাৰ্ত্তাসেৱা- বিশিষ্ট কবি, গুৱাহাটীৰ খানাপাৰা নিবাসী মীৰা ঠাকুৰৰ বিয়োগত অসম প্ৰকাশন পৰিষদে গভীৰ শোক প্ৰকাশ কৰিছে। এক শোক বাৰ্তাত অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই মীৰা ঠাকুৰৰ মৃত্যু অসমৰ সাহিত্য জগতৰ বাবে এক ক্ষতি বুলি অভিহিত কৰে। বাৰ্তাটোত সচিব কলিতাই মীৰা ঠাকুৰৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

# মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক কৰ্মযোগী সন্মান প্ৰদান নেপালী সাহিত্য সভাৰ

ৰঙিলী বাৰ্ত্তাসেৱা- ঐতিহাসিক সৰুপথাৰৰ শিৱাজী ৰাই সমন্বয় ক্ষেত্ৰ তথা সৰুপথাৰ ৰাজহুৱা খেলপথাৰত আয়োজিত অসম নেপালী সাহিত্য সভাৰ স্বৰ্ণজয়ন্তী সমাৰোহৰ সামৰণী অনুষ্ঠানৰ মুকলি সভাত মুখ্য অতিথি হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে। অনুষ্ঠানটিত উপস্থিত হৈ সৰুপথাৰৰ পবিত্ৰ ভূমিত জন্ম লৈ অসম আৰু দেশমাতৃক গৌৰৱান্বিত কৰা সাহস আৰু ত্যাগৰ অমৰ প্ৰতীক বিয়াল্লিছৰ আন্দোলনৰ শ্বহীদ কুশল কোঁৱৰৰ প্ৰতি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। অসম নেপালী সাহিত্য সভাৰ স্বৰ্ণজয়ন্তী সমাৰোহৰ সামৰণী অনুষ্ঠানত নেপালী সাহিত্য সভাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক কৰ্মযোগী সন্মান প্ৰদান কৰে। সভাই তেওঁক নেপালী টুপী-খদা-খুকুৰীৰে উষ্ম আদৰণি জনায়। ইপিনে, সভাত ভাষণ দি কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নেপালী ভাষা-সাহিত্যৰ বিকাশৰ দিশত বিগত পঞ্চাশ বছৰে অসম নেপালী সাহিত্য সভাই নিৰলসভাৱে ব্ৰতী হৈ থকাৰ উল্লেখ কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে অসমৰ গোৰ্খাসকলে অসমভূমিত জন্মগ্ৰহণ কৰি অসমীয়া মাধ্যমত অধ্যয়ন কৰি অসমীয়াৰ সমান্তৰালকৈ নেপালী ভাষা-সাহিত্যৰ বিকাশৰ বাবে অহৰহ



প্ৰচেষ্টা অব্যাহত ৰাখিছে। বিশিষ্ট সাহিত্যিক হোমেন বৰগোহাঞিৰ উক্তিৰ উদ্ধৃতি দি তেওঁ কয় যে অসমৰ গোৰ্খাসকলৰ মাতৃভাষা দুটা। এটা নিজা ভাষা আৰু আনটো অসমীয়া ভাষা। তেওঁ লগতে কয় যে গোৰ্খা জনগোষ্ঠীয়ে নিজ মাধ্যমৰ সলনি অসমীয়া মাধ্যমৰ বিদ্যালয় স্থাপন কৰি অসমত অসমীয়া ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰ সাধন কৰি সমন্বয়ৰ নতুন সাঁকো গঢ়ি বৃহত্তৰ অসমীয়া সমাজখন সমৃদ্ধ কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসম নেপালী সাহিত্য সভাৰ ইতিহাস সম্পৰ্কতো আলোকপাত কৰে। পঞ্চাশটা বছৰ অতিক্ৰম কৰা অসম নেপালী সাহিত্য সভাই অসমৰ গোৰ্খাসকলৰ অগ্ৰণী সাহিত্য তথা বৌদ্ধিক সংগঠন ৰূপে নিজৰ ভূমিকা সফলতাৰে পালন কৰি আহিছে বুলি মন্তব্য কৰি তেওঁ কয় যে এই সংগঠনে বিশেষকৈ অসমৰ নেপালী ভাষা-সাহিত্য-সংস্কৃতিৰ লগতে সমগ্ৰ অসমৰ ভাষা- সাহিত্যৰ উন্নতিত যথেষ্ট অৰিহণা যোগাইছে। আনহাতে নিৰু শৰ্মা পৰাজুলীক আন্তঃৰাষ্ট্ৰীয় সাহিত্য বঁটা, ড° খেমৰাজ নেপালক কৰ্ণবাহাদুৰ ছেত্ৰী স্মৃতি

( নপৃষ্ঠাত চাওক)

# জামুগুৰিহাটত যুৱ মৰ্চাৰ শ্বহীদ দিৱস পালন

ৰঙিলী বাৰ্ত্তাসেৱা- অসম আন্দোলনৰ বীৰ শ্বহীদৰ স্মৰণাৰ্থে ভাৰতীয় জনতা যুৱ মৰ্চা, অসম প্ৰদেশৰ উদ্যোগত শোণিতপুৰ জিলাৰ ঐতিহাসিক জামুগুৰিহাটৰ পকামুৰা পথাৰত আজি কেন্দ্ৰীয়ভাৱে শ্বহীদ দিৱস পালন কৰে। অবৈধ বাংলাদেশী অনুপ্ৰৱেশকাৰীক বিতাড়িত কৰিবৰ কাৰণে ১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈ হোৱা অসম আন্দোলন আছিল অসমীয়া মানুহৰ অস্তিত্ব ৰক্ষাৰ আন্দোলন। এই অস্তিত্ব ৰক্ষাৰ আন্দোলনৰ সময়ত কেন্দ্ৰ আৰু ৰাজ্যত অধিষ্ঠিত কংগ্ৰেছ চৰকাৰে অতি নিষ্ঠুৰভাৱে



অসমীয়া মানুহক দমন কৰিবলৈ নিধনযজ্ঞ চলাই ৮৫৫ জন পাচুৱাল অসমীয়া ডেকা ল'ৰাক হত্যা কৰাৰ উপৰিও হেজাৰ হেজাৰ অসমীয়া মানুহ চিৰদিনলৈ পংগু হৈছিল, নিৰ্যাতিত হৈছিল অসমীয়া জীয়ৰী-বোৱাৰী, নিৰিহ জনতা। ১৯৭৯চনৰ আন্দোলনৰ আৰম্ভণিতে ১০ ডিচেম্বৰ অৰ্থাৎ আজিৰ দিনটোতে প্ৰথম শ্বহীদ হৈছিল খৰ্গেশ্বৰ তালুকদাৰ। বীৰ শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰৰ পবিত্ৰ মৃত্যু তিথিৰ দিনটোতে অসমীয়া ৰাইজে শ্বহীদ দিৱস পালন কৰি আহিছে। ভাৰতীয় জনতা যুৱ মৰ্চায়ো বিগত বৰ্ষসমূহৰ দৰে এই বছৰো ঐতিহাসিক জামুগুৰিহাটৰ এই পকামুৰা পথাৰত কেন্দ্ৰীয়ভাৱে আয়োজিত শ্বহীদ দিৱসত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতা, যুৱ মৰ্চাৰ সভাপতি ৰাকেশ দাস উপস্থিত থকা অনুষ্ঠানত শোণিতপুৰ আৰু বিশ্বনাথ জিলাৰ দহ সহস্ৰাধিক ৰাইজে অংশগ্ৰহণ কৰে। অবিভক্ত শোণিতপুৰ জিলাৰ অসম আন্দোলনত অসম আৰু অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ বাবে প্ৰাণ বলিদান দিয়া শ্বহীদৰ পৰিয়াল আৰু পুলিচৰ অকথ্য নিৰ্যাতনৰ বলি হোৱা নিৰ্যাতিত পৰিয়ালক আজিৰ শ্বহীদ দিৱস অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাই আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনাই শ্ৰদ্ধা জ্ঞাপন জনাই। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শ্বহীদ বেদীত

( নপৃষ্ঠাত চাওক)

# নামনি মাজুলী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ "ৰাষ্ট্ৰীয় সেৱা আঁচনি গোট"ৰ সজাগতা সভা সম্পন্ন



ৰঙিলী বাৰ্ত্তাসেৱা- মাজুলী শিক্ষা খণ্ডৰ অন্তৰ্গত নামনি মাজুলী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ 'ৰাষ্ট্ৰীয় সেৱা আঁচনি গোট' (এন এছ এছ') ৰ স্বেচ্ছাসেৱকসকলে মহৰিচুক জনজাতি উচ্চ মাধ্যমিক বিদ্যালয় আৰু শ্ৰীলোহিত উচ্চমাধ্যমিক বিদ্যালয়ত দুখন সজাগতা সভা অনুষ্ঠিত কৰে। নামনি মাজুলী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ আঁচনি বিষয়া প্ৰশান্ত শইকীয়াৰ নেতৃত্বত যোৱা এন এছ এছ' স্বেচ্ছাসেৱকসকলে বাল্য বিবাহ প্ৰতিৰোধ, শিশুৰ শিক্ষা অধিকাৰ আৰু শিশু শ্ৰমিক বন্ধ কৰাৰ ওপৰত কেইবাটাও সজাগতামূলক গুৰুত্বপূৰ্ণ কাৰ্যসূচী ৰূপায়ন কৰে। উক্ত, সজাগতা অনুষ্ঠানত নামনি মাজুলী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মদন গগৈয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি বাল্য বিবাহ প্ৰতিৰোধ, শিশুৰ শিক্ষা অধিকাৰ আৰু শিশু শ্ৰমিক বন্ধ কৰাৰ ওপৰত বিভিন্ন পৰামৰ্শ প্ৰদান কৰে। এই সজাগতা অনুষ্ঠানত মহৰিচুক জনজাতি উচ্চমাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অনিল শইকীয়া, শ্ৰীলোহিত উচ্চমাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক বিষ্ণু মূদৈয়ে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি সজাগতামূলক ভাষন প্ৰদান কৰে। দুয়োখন সজাগতা সভাৰ আঁত ধৰে প্ৰশান্ত শইকীয়াই। সজাগতা সভাত উপস্থিত থকা স্থানীয় ৰাইজ, শিক্ষক শিক্ষয়িত্ৰী আৰু ছাত্ৰ ছাত্ৰীসকলে নামনি মাজুলী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ এন এছ এছ' গোটক এনে পদক্ষেপৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। উল্লেখযোগ্য যে নামনি মাজুলী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ স্বেচ্ছাসেৱকসকলে নামনি মাজুলীৰ বিভিন্ন প্ৰান্তত গৈ গাঁৱে গাঁৱে বাল্য বিবাহ প্ৰতিৰোধ, শিশুৰ শিক্ষা অধিকাৰ আৰু শিশু শ্ৰমিক বন্ধৰ বাবে সজাগতা সভা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

# লক্ষীমপুৰত এবিভিপিৰ ৩০ সংখ্যক ৰাজ্যিক অধিৱেশনৰ প্ৰস্তুতি



ৰঙিলী বাৰ্ত্তাসেৱা- অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ ৩০ সংখ্যক ৰাজ্যিক অধিৱেশন এইবৰ্ষত লক্ষীমপুৰ চহৰৰ মনিকাঞ্চন সমন্বয় ক্ষেত্ৰত (এ.টিম. (খেলপথাৰ)ত অনুষ্ঠিত হ'ব। ২৭, ২৮ আৰু ২৯ ডিচেম্বৰত মহাপুৰুষ মাধৱদেৱৰ জন্মভূমি লক্ষীমপুৰত অনুষ্ঠিত হ'ব লগীয়া এই ৰাজ্যিক অধিৱেশনত সমগ্ৰ অসমৰ পৰা প্ৰায় ১২০০ ছাত্ৰ ছাত্ৰীয়ে অংশ গ্ৰহণ কৰিব। এই অধিৱেশনৰ লগত সংগতি ৰাখি লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ত আদৰণি সমিতি গঠন কৰা হয়। এই সমিতিত অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেডৰ অধ্যক্ষ দেৱানন্দ হাজৰিকাক সভাপতি তথা এবিভিপিৰ পূৰ্বৰ ৰাষ্ট্ৰীয় সম্পাদক সীমান্ত দাসক সাধাৰণ সম্পাদকৰ দায়িত্ব অৰ্পণ কৰা হয়। অসম তথা ভাৰতৰ বিভিন্ন সমস্যা তথা সামগ্ৰিক বিভিন্ন বিষয়ৰ ওপৰত আলোচনা হ'বলৈ এই অধিৱেশনত অসমৰ বিভিন্ন বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰি বিভিন্ন বিষয়ৰ ওপৰত আলোকপাত কৰিব। অধিৱেশনত বিভিন্ন সাংস্কৃতিক কাৰ্যক্ৰম, প্ৰদৰ্শনী, মুকলি অধিৱেশন, সাংস্কৃতিক শোভাযাত্ৰা আদি অনুষ্ঠিত হ'ব।

# মানুহৰ বহুত কাহিনী থাকিব পাৰে



**ঈপ্সিতা কন্দলী শৰ্মা**

মানুহৰ বহুত কাহিনি থাকিব পাৰে। বাহিৰে অৱয়ব দেখিয়েই মানুহৰ ভিতৰৰ কাহিনী জনা সম্ভৱ নহয়। তথাপি আমি অনুমান কৰি ল'ব পাৰোঁ মানুহৰ আচৰণৰ ওপৰত ভিত্তি কৰি মানুহৰ মন ভালে আছে নে বেয়া। সাধাৰণতেই উৎফুল্লিত মনৰ প্ৰকাশ মানুহৰ মুখমণ্ডলত বিয়পি পৰে। বিষাদৰ হাঁহিও যেন চিনিব পাৰি। কিন্তু কেতিয়াবা মানুহৰ এনে কিছুমান কাহিনী থাকে যিবোৰ সহজেই বুজা নাযায়। কেতিয়াবা এনেও হয় যে সন্মুখৰ মানুহজনৰ আচহুৱা আচৰণ দেখি আপুনি বা মই দুয়োজনেই লক্ষ্য কৰি আছোঁ। আমাৰ চকুত আমাৰ সন্মুখৰ মানুহজনক লৈ হয়তো প্ৰশ্নৰ এধাৰি মালা গুঠি গৈ আছোঁ। মানুহজনৰ আচৰণে আমাক কিছু অস্বস্তিও দিছে বোধহয়। আমি মানুহজনৰ আচৰণক লৈ অতিষ্ঠ হৈ যেতিয়া তেওঁক খুব বেয়াকৈ কৈছোঁ তেতিয়াও তেওঁৰ আচৰণ আগৰ দৰেই আছে তেতিয়া আমাৰ নিশ্চয় খং উঠিব। পিছত যেতিয়া আমি মানুহজনৰ তেনে আচৰণৰ প্ৰকৃত ৰহস্য বুজি পাম তেতিয়া হয়তো আমি আমাৰ আচৰণক লৈ যথেষ্ট অশান্তি পাম। কিয় তেনেকৈ বেয়াকৈ ক'লো মানুহজনক?- এই কথাটোৱে হয়তো আমাক বহুদিনলৈ ভালকৈ শুব নিদিব। সেয়ে আমাৰ বাবে উত্তম কথাটো হৈছে আমি মানুহৰ ভিতৰত কিবা নহয় কিবা কাহিনী যে থাকে এই কথাটো মানিহে মানুহক আচৰণ কৰিব লাগে। মানুহক চিনি পোৱাৰ আগতেই বিচাৰ কেতিয়াও কৰিব নালাগে। সত্যই হয়তো আপোনাক বা মোক আচৰিত কৰি তুলিব।এটা গল্প পঢ়িছিলোঁ - ২৪ বছৰীয়া ল'ৰাজনে ট্ৰেইনৰ খিৰিকীয়েদি বাহিৰলৈ চাই চিঞৰি উঠিল..'দেউতা চাওক গছবোৰ পিছলৈ গৈ আছে'

দেউতাকে হাঁহিলে আৰু ওচৰতে বহি থকা এহাল যুৱক যুৱতীয়ে ২৪ বছৰীয়া ল'ৰাজনৰ শিশু সুলভ আচৰণক কৰুণাৰ দৃষ্টিৰে চালে। হঠাতে ল'ৰাজনে আকৌ ক'লে -"দেউতা, চাওক আমাৰ লগত ডাৱৰবোৰ দৌৰিছে।" দম্পতীহালে ধৈৰ্য্য ধৰিব নোৱাৰি দেউতাকক ক'লে - "আপোনাৰ ল'ৰাটোক ভাল ডাক্তৰৰ ওচৰলৈ লৈ নাযায় কিয়?"

দেউতাকে হাঁহি মাৰি ক'লে - " মই ডাক্তৰৰ ওচৰলৈ মোৰ ল'ৰাক নিলো। আমি এতিয়া ডাক্তৰৰ ওচৰৰ পৰাই আহিছোঁ। মোৰ ল'ৰাটো জন্মৰ পৰা অন্ধ আছিল। আজি মাত্ৰ চকু দুটা পাইছে।"


# বনভোজৰ বতৰ



**বিশ্বজিৎ বৈশ্য, বংশৰ ,শুৱালকুছি**

চাৰিওফালে এতিয়া বনভোজ খোৱাৰ যো-জা আৰম্ভ হৈছে। কোনে কোন ঠাইত যাব কি খাব আৰু যে কত কি। কোনোবাই পৰিয়াল সহিত কোনোবাই লগৰীয়া, অইন কোনোবাই আকৌ স্কুলৰ পৰা এনেদৰেই প্ৰস্তুতিবোৰ চলে। বনভোজ হৈছে এক আনন্দ উছাহ মাজেৰে পাৰ কৰা সময়। যত বেলেগ ঠাইলৈ গৈ ৰান্ধি-বাঢ়ি খাই মজা পোৱা যায়। ই মানুহৰ জীৱনত নতুনত্ব গঢ়ি তোলাত পূৰ্ণ সহযোগ আগবঢ়ায়। প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ ঠাইলৈ মনৰ হেঁপাহেৰে আমি সকলোৱে নিজৰ নিত্য কৰ্মব্যস্ততাৰ জীৱনৰ পৰা আঁতৰি এপাক স্ফুৰ্ত্তিৰ বাবে ওলাই যাও। আৰু দিনটোৰ বাবে পাহৰি যাও, ভাগৰ, দুখ কষ্ট। মনোমোহা পৰিবেশৰ মাজত নিজকে বিলীন কৰি পেলাও। সুস্বাদু ব্যঞ্জনেৰে ভৰা আৰু গীত- নৃত্যৰ মাজেৰে পাৰ কৰো সময় বোৰ। সচাঁকৈয়ে এই বিনন্দীয়া পৃথিবীৰ মায়াময় মানৱ জীৱন। উপভোগ মাথো উপভোগ। সৌ সিদিনা পাৰ কৰি আহিছিলি হে মাত্ৰ বনভোজ খাই, আকৌ আহি পালেই দেখোন বনভোজৰ বতৰ। পাহাৰৰ ওচৰত নাইবা নিজৰা পাৰত নাইবা নদীৰ পবিত্ৰ স্থানত থিতাপি লৈ খাদ্য বনোৱাৰ বাবে ঠাই লও আৰু ভাল লগা সময়বোৰ পাৰ কৰো। শেষত সেই সুন্দৰ মূহুৰ্তৰ দিনটো পাৰ কৰি সন্ধিয়া ঘৰমুৱা হও।

# ফেচবুকত চেলিব্ৰিটি বাস্তৱত শূন্য




**শৈলেন কুমাৰ, মিৰ্জা**

আজিকালি মানুহৰ হাতেহাতে মোবাইল, মাজতে খবৰ ওলাইছিল মোবাইল আৱিষ্কাৰক জনৰ ভাষ্য "মোবাইল আৱিষ্কাৰ মানৱজাতিৰ বাবে ভুল সিদ্ধান্ত "। যাহওক মোবাইল আৱিষ্কাৰ হ'ল কিন্তু মোবাইল আমি চলাই আছোনে ? মোবাইলে আমাক চলাই আছে ? ৰাতিপুৱা বিছনাৰ পৰা শুই উঠাৰ পৰা ৰাতি শুৱলৈ ওলোৱা পৰ্যন্ত আমাৰ হাতত মোবাইল । স্মাৰ্টফোনত ফেচবুক, ইনষ্টাগ্ৰাম, হোৱাটছআপ আদি অন্য এখন পৃথিৱী, যিখন পৃথিৱীৰ বাস্তৱৰ লগত কোনো সম্পৰ্ক নাই। বাস্তৱত ওলোমি থকা মুখখন ফেচবুকত উজলি থাকে। বাস্তৱত আমি ভীৰু হ'ব পাৰো কিন্তু ফেচবুকত আমি সিংহ । ফেচবুকত ফোটো শ্বেয়াৰ কৰে আপুনি সুখী পৰিয়াল বুলি কিন্তু প্ৰকৃততে আপুনি কিমান সুখী ? আমাৰ সপোনৰ ঘৰ বাস্তৱত ঘৰটো কাৰ সপোন ভংগ কৰি বনোৱা হ'ল? my first love ! কিন্তু কোনো বিচৰা কৰে first নে last লাভ বুলি ? বহুতে কয় ফেচবুক মানে fakebook, আমি ভুৱা জীৱন এটা ফেচবুকত প্ৰদৰ্শন কৰিছোঁ । ফেচবুকৰ মাধ্যমৰে আচল লুকুৱাই নকল প্ৰদৰ্শন কৰাটো আমাৰ স্বভাৱত পৰিণত হৈ পৰিছে। যাৰ ফলস্বৰূপে অপৰাধ, হিংসা, ঈৰ্ষা, ঘৰসংসাৰ ধ্বংস এটা বৃহৎ সামাজিক স্খলনৰ ফালে আমি দ্ৰুতগতিত আগবাঢ়িছোঁ । আজি আমাৰ মাজত সম্পৰ্ক আছে যদিও বিশ্বাসহীন ভুৱা সম্পৰ্ক। সম্পৰ্কবোৰ গ্ৰাহ নহয় যাৰফলত সহজতে ভাঙি যায়। ইজনৰ প্ৰতি আনজনৰ আন্তৰিকতা নাই । সকলো যেন এতিয়া মোবাইল মেনিয়া। অসৎ শ্ৰেণী লাভৱান হৈছে আৰু সৎ শ্ৰেণীৰ মানুহবোৰ প্ৰতাৰিত হৈছে। একাংশই ধন ঘটাৰ মাধ্যম হিচাপে মোবাইল ব্যৱহাৰ কৰে। একাংশই বান্দৰৰ দৰে নাচিবাগি নিজস্ব পাতলীয়া চৰিত্ৰৰ প্ৰদৰ্শন কৰে । কিছুমানে উলংগ হৈ নাচগান কৰে। বৰ্তমান সস্তীয়া চিন্তাধাৰাৰ মানুহে সামাজিক মাধ্যমক নিজস্ব কুকৰ্মৰ ৰম্যভূমি কৰি সমাজ দূষিত কৰাত উঠিপৰি লাগিছে । মুঠৰওপৰত বাস্তৱত কামেকাজে নলগাজন ফেচবুকত চেলিব্ৰিটি । কিন্তু তাৰে মাজত ফেচবুকত ভাল কথা চৰ্চা ভাল বাৰ্তা প্ৰেৰণ কৰাও লোক আছে । বস্তুক মৰ্যাদা দিব নোৱাৰি ব্যৱহাৰৰ সলনি অপব্যৱহাৰ কৰাটো আমাৰ পুৰণা বেমাৰ। যদি উচিত ব্যৱস্থা লোৱা যায় তেতিয়া নিয়ন্ত্ৰণহীন হোৱা সামাজিক মাধ্যমক নাকি লগাব পৰা যাব কিন্তু সেয়া হোৱাটো কঠিন কাৰণ মানুহ নিচাহত থাকিলে ৰজাৰ লাভ। মানুহ সচেতন হ'লে ৰজাবোৰৰ লোকচান। মানুহ নিজস্ব ভাৱে সজাগ সচেতন নহোৱালৈকে কোনো গত্যন্তৰ নাই ।

# সোণালী আঘোণ



**মিতালি বৰঠাকুৰ, মালিগাওঁ**

আঘোণ
দাৱনিৰ কাঁচিৰ তালে তালে বাজি উঠা
নৰা পেঁপাৰ আবেলিৰ সুৰীয়া সুৰত
ৰূপালী পানীত তিৰবিৰাই থকা
গাভৰু জোনে মিচিকিয়াই হাঁহে।
তোমাৰ কান্ধৰ ডাঙৰীৰ ভাঁজত
মোৰ একাঁচি সপোনে জিলমিলাই উঠে।
পিতাইৰ কান্ধৰ মেটমৰা ডাঙৰীৰ
লেছেৰিৰ জিৰিক্ জিৰিক্ সুৰত
আইৰ হেঁপেহুৱা সেউজবুলীয়া আশাৰ
সপোনবোৰে নকৈ কুঁহিপাত মেলে।
আইতাৰ উমাল জুহালত জীপাল গধূলিবোৰে
কাষ চপাই আনে মৰমৰ এনাজৰী।
কাঁহিলি পুৱাতে আইৰ দুচকুত উজ্বলে
আঘোণৰ সোণালী ধান।
আইয়ে আঁচলত বান্ধি লয় এমুঠি সপোন
আটি আটি।
তোমাৰ সোণালী আঘোণত মইও
সাৰটি লওঁ নৰা পাতৰ ছাতি।

# আঘোণৰ পথাৰত কাৰ উঁচুপনি




**নাছিৰ আহমেদ, শিমলাবাৰী, গোৱালপাৰা**

আঘোণৰ পথাৰত কাৰ উঁচুপনি!
চপ চপ শব্দ কৰি নামি আহিল
এন্ধাৰৰ গহ্বৰৰ পৰা এক অশৰীৰী অতৃপ্ত আত্মা
বতাহৰ ঢৌ খেলি খেলি-
শালিধানৰ চিকোন আলিত বহি বহি
মেলি দিলে দীঘল ক'লা চুলিটাৰি ;
যাৰ লিহিৰি লিহিৰি আঙুলিত
নাচি উঠিল কেঁচা মাটিৰ গোন্ধ ভেদি
সেউজ সুন্দৰ কেঁচা পাতৰ কঁপনি!
আঘোণৰ পথাৰত ভৰি পৰিল
সূৰুযৰ ৰ'দ কাঁচলি সোণোৱালী হাঁহি।
ৰাংঢালী যোড়শীৰ হাতত নাচি উঠিল
চিকমিক চিকমিক কাঁচিৰ সাজোন-কাচন!
বগী দাৱনীৰ মুখত ঢেক ঢেক হাঁহি।
উদং গাৰে ধানৰ ডাঙৰী কঢ়িওৱা
পাহুৱাল ডেকাৰ বাহুত মত্ত হাতীৰ বল।
ঘৰে ঘৰে ন খোৱাৰ আনন্দত আত্মহাৰা
গাঁৱৰ জীয়ৰী -বোৱাৰী ।
চেঙেলীয়া ডেকাৰ বুকুত ডুব যায়
ৰাস-পূৰ্ণিমাৰ মধুৰ যামিনী ।
প্ৰকৃতিৰ মনোমোহা ৰঙীন স্বপ্নত বিভোৰ
একো একোজন যেন ৰাধা-কৃষ্ণ!
তাৰ পিছত!
পট পৰিৱৰ্তন!
সময় পাৰ হৈ গ'ল দুৰন্ত গতিত-
আঘোণৰ পথাৰত নামি আহিল কাৰ উঁচুপনি ?
কোনে কাঢ়ি নিলে
সৌৰভ বিলোৱা সৌন্দৰ্য্যৰে ভৰপুৰ শইচৰ বসাল পথাৰখনি ?
এতিয়া চাৰিওফালে বিয়পি আছে মাথোঁ জুইৰ লেলিহান!
দপ্ দপ্কৈ আছে জ্বলি শাৰী শাৰী
শ্মশানৰ চিতা আৰু সমাধিৰ থলি।
চপ চপ শব্দ কৰি নামি আহিল
এন্ধাৰৰ গহ্বৰৰ পৰা অশৰীৰী অতৃপ্তআত্মা!
শালিধানৰ চিকোন আলিত বহি বহি
মেলি দিলে দীঘল ক'লা চুলিটাৰি ;
যাৰ উদ্ভ্ৰান্ত দুচকুত প্ৰতিশোধৰ অগ্নিশিখা!!

অণুগল্প

# মুখা

**টিংকু বৰা, লখিমপুৰ**



কাকত, আলোচনীত প্ৰায়েই তেওঁৰ লেখাবোৰ পঢ়োঁ। সমাজ সচেতন এজন ব্যক্তি। শিশু শ্ৰমিক, অধিকাৰ, শিশুৰ সৰ্বাংগীন বিকাশত সমাজৰ দায়বদ্ধতা এনেধৰণৰ বিষয়বোৰত তেওঁৰ লেখাবোৰ সঁচায়েই প্ৰশংসনীয়। সেইদিনা অনুষ্ঠান এটালৈ নিমন্ত্ৰণ জনাবলৈ বুলি চিঠি এখন লৈ তেওঁৰ ঘৰলৈ গৈছিলোঁ । ৪ জন মান শিশুক তেওঁৰ ঘৰত কাম কৰি থকা দেখি তেওঁলৈ এটি তীক্ষ্ণ দৃষ্টি দিলোঁ। মোৰ মনোভাৱ বুজিব পাৰি তেওঁ ক'লে- "বোলে বুইছে বন্ধুৱা আজিকালি দিন হাজিৰাক একেবাৰে ৪৫০ টকা লাগে; গতিকে ইহঁতক কামত লগাইছোঁ ২০০ মান দিলেই হৈ যাব।" তেওঁৰ কথা শুনি আৰু মোৰ বক্তব্যহীন হৈ পৰিলোঁ। মুখত এটা কৃত্ৰিম হাঁহি লৈ চিঠিখন দিদিয়াকৈয়েই উভতিলো।

# সন্তানৰ চৰিত্ৰ গঠনত পিতৃ - মাতৃৰ দায়িত্ব



**অনামিকা (সংগীতা)কলিতা, গুৱালকুছি**

বিষয়টো গুৰুত্বপূৰ্ণ, সন্তানৰ চৰিত্ৰ গঠন আৰু বৌদ্ধিক বিকাশৰ ক্ষেত্ৰত পৰিয়ালৰ স্থান প্ৰথম। ঘৰখনে মূল আধাৰ, পিতৃ-মাতৃ হ'ল প্ৰধান গুৰু, তেওঁলোকৰ অৱদান অতুলনীয়। শিশুটোৰ জন্মৰ পৰাই পাঁচ বছৰলৈ ৯০% পূৰ্ণ বিকাশ হয়। গতিকে এই সময় খিনি শিশুৰ বিকাশৰ পূৰ্ণ গতিত হয়, তাৰ বাবে সু-পৰিকল্পিত ভাৱে তদাৰক কৰিব লাগে, এই ক্ষেত্ৰত মাকৰ দায়িত্ব অধিক।

শিশুটোৰ প্ৰাথমিক আৰু মৌলিক চাহিদা পূৰণৰ লগে-লগে সিহঁতৰ মানসিক-দৈহিক গঠন, ৰুচি, প্ৰবৃত্তি, বিশ্বাস ধাৰণাৰ সম্যক জ্ঞানৰ স্বৰূপ পূৰ্ণ বিকশিত হয় তাৰ ধ্যান ৰখাৰ দায়িত্ব মাক -দেউতাকৰ। মাকৰ -দেউতাকৰ দায়িত্ব ঘৰৰ বাতাবৰণ সুস্থ কৰি ৰখা, তেতিয়াহে এটা শিশুৰ বিকাশ সু-পৰিকল্পতি ভাৱে বিকাশ হয় আৰু সুস্থ মানসিকতা সন্তানৰ গঢ়ি তুলিব পাৰিব। এই ক্ষেত্ৰত নিয়মানুবৰ্তীতা মাজেৰে মাক - দেওবাৰ শিকাব লাগিব, ধ্যান ৰাখিব লাগিব সিহঁত যাতে আমনি নেপায় ।


সন্তানৰ চৰিত্ৰ গঠনত কৰিবলগীয়া আন এক কাম হল, সদায় সৃষ্টিশীল কামৰ প্ৰতি সিহঁতক উদগনি যোগোৱা। মহাত্মা গান্ধী, ৰবীন্দ্ৰ নাথ ঠাকুৰ, বেঞ্জামিন ফ্ৰেকলিন বিভিন্ন মনীষী লেখক আদিৰ লিখনিত তেওঁ লোকৰ সৰু কালত মাক-দেউতাকৰ অৱদান পঢ়িবলৈ পাইছোঁ, যাৰ বাবে সমাজত তেওঁ লোক এজন মহান ব্যক্তিৰ ৰূপে পৰিগণিত হৈছে।

আমাৰ দিনত মাক-দেউতাই বা শিক্ষা গুৰু চেকেনিৰ প্ৰয়োগ কৰিছিল। সেই সময়ত উচিত আছিল। যৌথ পৰিয়াল ককা /আইত /খুড়া আদিৰ মৰমত শিশুটিৰ অবাধ্য হৈছিল, যদিও তেওঁলোকৰ পৰা নৈতিক জ্ঞান লাভ কৰিছিল । শিশুটিৰ শিষ্টাচাৰ ধৈৰ্য্য আৰু সহ্য গুণ বেছি আছিল। ধৈৰ্য্য আৰু সহ্য গুণৰ কাৰণে উপযুক্ত নাগৰিক হৈ সমাজত নিজৰ লগতে, দেশৰ নাম উজলাই তুলিছিল। কিন্তু বৰ্তমান একক পৰিয়াল। মাক - দেউতাকৰ লগতে শিশুটি ডাঙৰ হয়। আগৰ দৰে পাঁচ /ছটা শিশু পৰিয়ালত নাথাকে। এটা বা দুটা শিশু এটা পৰিয়ালত, সেই কাৰণে বৰ্তমানৰ শিশুবোৰৰ অকণমান ধৈৰ্য্য শীলতাৰ অভাৱ দেখা যায়। এইবোৰ কাৰণৰ বাবেই সিহঁতক বন্ধুত্ব আৰু মৰমেৰে শিকাব লাগিব। সৰুৰে পৰা মাক-দেউতাকে সিহঁতক বিভিন্ন সাধুকথা আদিৰে নীতি শিক্ষা জ্ঞান দি পুংখানুপুংখ ভাৱে জড়িত থাকিব লাগিব।

আজিকালি যিহেতু মোবাইলত আদি প্ৰযুক্তিবিদ্যাৰ যুগ, সিহঁতে সৰুৰে পৰাই সকলো জ্ঞান লাভ কৰিব সুবিধা পাই। ব্যক্তিগত ৰুচি /অভিৰুচি আৰু প্ৰবৃত্তি অনুসাৰে, স্বাভাৱিক সুন্দৰ আৰু শোভনীয় দিশবোৰ গ্ৰহণ কৰা, অশোভনীয় আৰু অহিতকৰ বিষয় বোৰ বৰ্জন কৰা শিকাব লাগিব। এই দায়িত্ব আমাৰ পিতৃ-মাতৃৰ আৰু কিছু ক্ষেত্ৰত শিক্ষক সকলৰ। কাৰণ আজিৰ শিশু কাইলৈ দেশৰ নাগৰিক মূল আধাৰ।

# মহাভাৰতৰ চৰিত্ৰৰ দ্বাৰা শিকিব লগা কথা

**মুন শৰ্মা, লখিমপুৰ**



বিশ্বৰ যি কেইখন মহাকাব্য আছে তাৰে ভিতৰত আমাৰ ভাৰতৰ দুখন মহাকাব্য ৰামায়ন আৰু মহাভাৰত। ইয়াৰে মহাভাৰত হ'ল সকলো কেইখনৰ ভিতৰত আটাইতকৈ ডাঙৰ মহাকাব্য। হিন্দু ধৰ্মৰ বিশ্বাস অনুসৰি যি চাৰি যুগ আছে তাৰে তৃতীয় যুগ দ্বাপৰৰ এটি পৰিয়ালৰ মাজৰ যুদ্ধই মূলতে ইয়াৰ কাহিনী। এই মহাকাব্য খনৰ জৰিয়তে ধৰ্মৰ জয় অধৰ্মৰ পৰাজয় দেখুওৱা হৈছে।

হিন্দু ধৰ্মৰ বিশ্বাস অনুসৰি ভগবান বিষ্ণুৰ অন্যতম এক অৱতাৰ শ্ৰীকৃষ্ণ মূলত, মূল চৰিত্ৰ হিচাপে থকা ইয়াত ৰামায়নৰ দৰে বহু চৰিত্ৰ বিদ্যমান। যিবোৰ দ্বাৰা বৰ্তমান সময়তো গ্ৰহণযোগ্য কিমান শিক্ষা ই আজিৰ কলি যুগত ও দি আহিছে। যাৰ দ্বাৰা ভাল বেয়া বিচাৰ কৰি আমি জীৱন যুদ্ধত আগুৱাই গলে বহুতো বিপদৰ পৰা ৰক্ষা পাব পাৰো আৰু বহুতো সফলতা লাভ কৰাত সহজ হৈ পৰিব বুলি মানি লব পাৰোঁ।

মহাভাৰতত যি নাই সেয়া জগতত নাই বুলি এটা কথা প্ৰচলিত এক ধাৰণা থকা ইয়াৰ প্ৰতি চৰিত্ৰই আমাক শিকাই, কয় বিভিন্ন কথা। মহাকাব্য খনৰ কেইটামান ডাঙৰ চৰিত্ৰ যেনে ভীষ্ম, দুৰ্যোধন, কৰ্ণ, এই কেইজনৰ পৰা শিকিব লগা বহুত আছে বৰ্তমান সময়ত মানুহে গতিকে আহক চমুকৈ আলোচনা কৰোঁ...

মহাভাৰতৰ এজন মহান বীৰ ভীষ্ম। প্ৰথমে নাম আছিল দেৱব্ৰত, তেওঁ কৰিছিল এদিন ভীষণ প্ৰতিজ্ঞা ফলত তেওঁৰ নাম হয় ভীষ্ম। কোনো দিনে সলনি নহল এই প্ৰতিজ্ঞা, (বাৰপৃষ্ঠাত চাওক)




অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

মন কথা

# শুনি - দেখি - বুজি

জ্যোতি খাটনিয়াৰ

নজনা কথা জনাৰ উৎস অনেক । নাইবা পুৰণি কথাবোৰ নতুন ধৰণেৰে চোৱাৰ চেষ্টাও বহুত। আনে কথা পতা শুনি বা আনুষ্ঠানিক কথা, বিশেষকৈ বক্তৃতা শুনি বহু কথা শিকিব পাৰি। আধুনিক সময়ত জ্ঞান আৰু চিন্তাৰ প্ৰগতিত বক্তৃতাৰ বিশেষ ভূমিকা আছে। একেদৰে চিত্ৰ প্ৰদৰ্শনীৰো ভূমিকা আধুনিক চিন্তাৰ গতি প্ৰবাহক নতুন মোৰ দিয়াৰ ক্ষেত্ৰত বেছ শক্তিশালী বুলি ক'ব লাগিব। কেইবাটাও উদাহৰণ এইখিনিতে পটুৱৈ সমাজলৈ আগবঢ়াই দিব পাৰি। যেনে ফ্ৰান্সৰ চিন্তাবিদ, দাৰ্শনিক আৰু অৰ্থনীতিৰ প্ৰবক্তা আলেকজেণ্ডাৰ কোজেভ (Alexander Kojeve: ১৯০২-১৯৬৮) এ পেৰিছত প্ৰদান কৰা দাৰ্শনিক হেগেলৰ চিন্তা সম্পৰ্কীয় বক্তৃতা। সৌ সিদিনা ছোভিয়েট সংঘৰ পতনৰ পাছত এখন কিতাপ বৰ চৰ্চালৈ আহিছিল। অসমীয়া ভাষাটো এই কিতাপৰ বিভিন্ন আলোচনা আৰু ইয়াৰ উদ্ধৃতি সময়ে সময়ে প্ৰকাশিত হৈ আহিছে। কিতাপখন হ'ল ফ্ৰান্সিছ ফুকুয়ামাৰ The End of History and the Last Man (১৯৯২)। ইয়াত ফুকুয়ামাই কৈছে যে শীতল যুদ্ধ আৰু ছোভিয়েট সংঘ পতনৰ পাছত পশ্চিমীয়া গণতন্ত্ৰৰ জয় হৈছে আৰু মানৱ জাতিৰ আদৰ্শগত বিৱৰ্তনে অন্তিম পৰ্যায়ত উপনীত হৈছে। মানুহে নিজকে শাসন কৰিবলৈ যি পদ্ধতি বাচি উলিয়াইছে, তাৰ ভিতৰত পশ্চিমীয়া গণতন্ত্ৰৰ গ্ৰহণযোগ্যতাই সৰ্বাধিক বুলি প্ৰমাণিত হৈছে। উল্লেখ্য যে কেইবাজনো আগশাৰীৰ চিন্তাবিদে ফুকিয়ামাই একো নতুন কথা কোৱা নাই বুলি কবলৈ গৈ কৈছে যে তেওঁ আচলতে আলেকজেণ্ডাৰ কোজেভৰ মতকে পুনৰাই ডাঙি ধৰিছে। কোজেভে হেগেলৰ বিখ্যাত প্ৰভু ভৃত্যৰ দ্বান্দ্বিক সম্পৰ্ক (master-slave dialectic) ক এক নতুন ধৰণেৰে ত্ৰিশৰ দশকৰ পেৰিছৰ এই বক্তৃতা লানিত ব্যাখ্যা কৰিছিল। উল্লেখ্য যে কোজেভৰ এই বক্তৃতাত উপস্থিত আছিল জেক লাকাঁ, লুই এলথুজাৰ, ইমানুৱেল লেভিনাছ, জৰ্জ বেতেঁ, মৰিছ মেৰলো পঁতি, এন্দ্ৰি ব্ৰেটন আদিৰ দৰে পৃথিৱীৰ অতি আগশাৰীৰ চিন্তাবিদ। তেওঁলোকৰ চিন্তাধাৰাক প্ৰভাৱিত কৰি কোজেভৰ এই বক্তৃতাই পৃথিৱীৰ সকলো আগশাৰীৰ চিন্তাবিদক অলপ নহয় অলপ ধৰণেৰে চুইছে। এই বক্তৃতাত মূল কথাটো আছিল দাৰ্শনিক জৰ্জ উইলিয়াম ফ্ৰেডেৰিক হেগেলৰ The Phenomenology of Spirit নামৰ গ্ৰন্থখনৰ সন্নিবিষ্ট ধাৰণাৰ এক নতুন ধৰণৰ ব্যাখ্যা। কোৱা হয় যে কোজেভে হেগেলৰ চিন্তাৰ এটা নৃতাত্বিক তাণ্ডৱণ প্ৰস্তুত কৰিছিল। এই ক্ষেত্ৰত তেওঁ কাৰ্ল মাৰ্ক্স আৰু হেইডেগাৰৰ চিন্তাৰ সহায় লৈছিল। হেগেলে মানুহৰ চিন্তা আৰু সচেতনতাক চিন্তাৰ বিভিন্ন ধৰণ আৰু অভিজ্ঞতাৰ মাজেৰে ব্যাখ্যা কৰিব খুজিছে। তেওঁ চিন্তাৰ সচেতনতাক একেবাৰে তলৰ পৰ্যায়ৰ পৰা একেবাৰে ওপৰৰ পৰ্য্যায়লৈকে ( যাক তেওঁ absolute knowledge বুলি কৈছে) চাব খুজিছে। মনত ৰখা প্ৰয়োজনীয় যে এই সচেতনতা এজন ব্যক্তি বিশেষৰ মনৰ সচেতনতা নহয়। এয়া মানুহৰ সংস্কৃতিৰ এক সামূহিক ৰূপ। ই বিভিন্ন দাৰ্শনিক পদ্ধতিকো সাঙুৰি লৈছে। হেগেলে নিজৰ চিন্তাৰ ব্যাখ্যা আৰু উদাহৰণ ৰূপে ফৰাচী বিপ্লৱৰ দৰে ঘটনা, ছোফোক্লিছৰ এন্তিগণিৰ দৰে নাটকৰ সহায় লৈছে। প্ৰতিটো পৰ্য্যায়তে সচেতনতাই জগতখন আৰু নিজকে এক বিশেষ ধৰণেৰে চোৱাৰ চেষ্টা কৰিছে। কিন্তু শেষত দেখা গৈছে যে এই চেষ্টা অসম্পূৰ্ণ। ফলত নতুন ধাৰণাৰ সৃষ্টি হৈছে। আংশিক জ্ঞানৰ পৰা পৰম জ্ঞানলৈ মানুহৰ এই যাত্ৰাক খ্ৰীষ্টিয়ান সকলৰ ধৰ্মীয় বিশ্বাসৰ সৈতে ৰিজোৱা হৈছে। খ্ৰীষ্টিয় বিশ্বাসত আত্মাই যন্ত্ৰণাৰ মাজেৰে আগবাঢ়ি নিজকে সুৰক্ষিত কৰিব পাৰে আৰু পুনৰ্জন্মও লাভ কৰিব পাৰে। প্ৰশ্ন হয় এয়া কেতিয়া সম্ভৱ হ'ব ? উত্তৰটো হ'ল যেতিয়া আত্মাই নিজৰ স্বৰূপ সম্পৰ্কীয় জ্ঞানত উপনীত হ'ব। সন্দেহৰ বা হতাশাৰ বাটেৰে আগবাঢ়ি আত্মা যাত্ৰাৰ শেষ বিন্দুত উপনীত হ'ব। প্ৰতিটো সময়ত বা যাত্ৰাৰ প্ৰতিটো মুহূৰ্তত আত্মাই সচেতনতাৰ অসম্পূৰ্ণ ৰূপবোৰ ভেদ কৰি যায়। আলেকজেণ্ডাৰ কোজেভে হেগেলৰ এই চিন্তাক এক বিশেষ ৰাজনৈতিক ব্যাখ্যা দিবলৈ চেষ্টা কৰিলে। তেওঁ কলে যে প্ৰভু আৰু ভৃত্যৰ সম্পৰ্ক সদায়ে অস্থিৰ। কাৰণ প্ৰভু সদায় তেওঁৰ বাবে কাম কৰা ভৃত্যৰ ওপৰত নিৰ্ভৰ। আকৌ ভৃত্যজন সমান নহয়। কাৰণ তেওঁ এজন ব্যক্তিক প্ৰভু বুলি মানিবলৈ সদায় বাধ্য। প্ৰভুৱে সদায়ে ভৃত্যত পৰা স্বীকৃতিৰ মূল্যখিনি কাঢ়ি লয়। ইপিনে ভৃত্যই প্ৰভুক ইচ্ছাকৃত আৰু মুক্ত মনেৰে স্বীকাৰ নকৰে। ভৃত্যই স্বীকাৰ কৰে কেৱল তেওঁ থাকিবলৈ বাধ্য হোৱা দ্বিতীয় পৰ্যায়ৰ স্থানটোৰ বাবেহে (secondary position)। সফল স্বীকৃতিৰ বাবে এই বৈষম্যপূৰ্ণ সম্পৰ্কৰ যৱনিকা পৰিব লাগিব। কোজেভে মাৰ্ক্সৰ মত অনুসৰণ কৰি অতি স্পষ্টকৈ কলে যে ইতিহাসৰ প্ৰগতিৰ আঁৰত থকা মূল মানুহেই হল ভৃত্যসকল। এই ভৃত্যৰ ধাৰণাটো অলপ বেলেগ ধৰণৰ। শিল্প আৰু ধৰ্মই দিয়া কাল্পনিক সন্তুষ্টিৰ দ্বাৰা ভৃত্য সকলক আৱদ্ধ কৰি ৰাখিব নোৱাৰি। কোজেভে স্পষ্ট কৰি দিলে যে যিবোৰ ৰাষ্ট্ৰত ভৃত্য বা দাস থাকিব(বা শ্ৰেণী থাকিব,)সেইবোৰত সামাজিক সমতা প্ৰতিষ্ঠাৰ বাবে ৰক্তক্ষয়ী যুদ্ধ চলিয়ে থাকিব। কোজেভৰ ধাৰণাত যোৱা ডেৰ শ বছৰৰ সকলো বিপ্লৱ আৰু সংগ্ৰামে সম্পূৰ্ণ বুলি গণ্য কৰা চৰ্ত সমূহক আমাৰ সন্মুখত ডাঙি ধৰিছে। ইয়াৰ অৰ্থ হল এয়ে যে আমি যিবোৰ নীতি বা আদৰ্শক মহৎ বুলি ভাবো, সেইবোৰত উপনীত হোৱাৰ বাবে আমাৰ সমাজখন প্ৰস্তুত হৈছে। আমাৰ এই আত্মসচেতনতা দাৰ্শনিক জঁা পল ছাৰ্ত্ৰে আৰু মনোবিজ্ঞানী জেক লাকাঁই অন্য ধৰণেৰে ব্যাখ্যা কৰিছে। দুয়োজনৰ ব্যাখ্যাই আলেকজেণ্ডাৰ কোজেভৰ বক্তৃতা লানি(১৯৩৩-৩৯)ৰ ওচৰত গভীৰভাৱে ঋণী।

যদি আলেকজেণ্ডাৰ কোজেভৰ বক্তৃতাই পৃথিৱীৰ বিভিন্ন চিন্তাশীল লোকক স্পৰ্শ কৰিছে, তেনেহলে জঁা পল ছাৰ্ত্ৰেৰ Existentialism and Humanism নামৰ ১৯৪৫ ৰ ২৯ অক্টোবৰত পেৰিছত প্ৰদান কৰা বক্তৃতাই অস্তিত্ববাদী দৰ্শনৰ কেন্দ্ৰীয় ধাৰণাক জনসাধাৰণৰ মাজত জনপ্ৰিয় কৰি তুলিলে। পৰৱৰ্তী সময়ত কিতাপৰ আকাৰত প্ৰকাশ পোৱা মাত্ৰ সত্তৰ পৃষ্ঠাৰ এই বক্তৃতাত ছাৰ্ত্ৰেই স্পষ্ট কৰি দিলে যে নিজৰ আচৰণৰ কাৰণে মানুহে সম্পূৰ্ণৰূপে দায়িত্ব লবই লাগিব। ছাৰ্ত্ৰেৰ এই দায়িত্বৰ ধাৰণাৰ পৰিসৰ অতি বিশাল। ইয়াৰ লগত গভীৰ যন্ত্ৰণা (anguish) ৰ দৰে আবেগ জড়িত হৈ আছে। ছাৰ্ত্ৰেৰ দৃষ্টিত মানুহে যেতিয়া বুজি উঠে যে তেওঁলোক অকল নিজৰ বাবেই দায়বদ্ধ নহয়, তেওঁলোকৰ দায়বদ্ধতাই সমগ্ৰ মানৱ জাতিক সামৰি লয়। তেতিয়া মানসিক অৱস্থা বেলেগ হৈ পৰে। ইয়াৰ লগত আকৌ গভীৰ হতাশাও সম্পৰ্কিত। এই প্ৰসঙ্গত জুলিঅ' টৰেছৰ Hours of Anguish (১৯০৪) নামৰ এখন ছবিৰ উদাহৰণ দিয়া হয়। স্বাধীনতাৰ প্ৰসংগত ব্যক্তিৰ কেনেকুৱা



ধাৰণা, তাৰ সৈতে এই গভীৰ হতাশা সাঙোৰ খাই আছে। ছাৰ্ত্ৰেৰ বক্তৃতাত কোৱা হৈছে যে মই নিজকে যি ধৰণেৰে গঢ় দিও, মই তেনেদৰেই মানুহক গঢ় দিও( In fashioning myself, I fashion man. ) ইয়াৰ অৰ্থ হল যিকোনো ব্যক্তিৰ কাম কাজে সমগ্ৰ মানৱ জাতিক প্ৰভাৱিত কৰিব পাৰে আৰু তাক গঢ় দিব পাৰে। ছাৰ্ত্ৰেৰ অবিস্মৰণীয় উক্তি Existence precedes essence- অস্তিত্বৰ পূৰ্বেই সাৰবস্তু - আধুনিক চিন্তাৰ এক গুৰুত্বপূৰ্ণ অংগ। ইয়াৰ সাধাৰণ অৰ্থ এয়ে যে কোনো আগতীয়া ধাৰণাৰ দ্বাৰা মানুহ বা ব্যক্তিত্ব গঢ়ি নুঠে; মানুহে নিজৰ দ্বাৰাহে কিদৰে বিভিন্ন বিষয়ৰ সৈতে জড়িত হৈ পৰিব, সেয়া নিৰ্ভৰ কৰে। পৃথিৱীখনেই মোৰ স্বাধীনতাৰ দাপোন । ছাৰ্ত্ৰেৰ এই কথাৰ অৰ্থ হল যে পৃথিৱীৰ কথা বতৰা বোৰে মোক কাম কাজ কৰিবলৈ, সহাঁৰি জনাবলৈ বাধ্য কৰে। ছাৰ্ত্ৰেয়ে ১৯৪৫ চনৰ এই বক্তৃতাত উল্লেখ কৰা ধাৰণাটো আজি মানৱ চিন্তাৰ এক বিশেষ দিশ: "man first of all exists, encounters himself, surges up in the word- and defines himself afterwards." **আগলৈ...**

## নিঃশব্দৰ মাজৰ শব্দৰ



**নাচিমা য়াচমিন, বিশ্বনাথ চাৰিআলি**

কেতিয়াবা শব্দবোৰ নিঃশব্দ হয়,  
কৰুণ দৃষ্টিত চাই ৰয়,  
বাটৰুৱা সকলৰ চেগুলৰ শব্দ,  
ব্যস্ততাপূৰ্ণ চহৰৰ গাড়ী মটৰৰ হৰ্ণৰ কোলাহল  
সকলোৰ মাজতে কেৱল থমকি ৰয়  
হৃদয় গভীৰৰ অপ্ৰকাশিত কাহিনী বোৰ।  
চৰাই উৰিছে, বেলি ওলাইছে, ডুবিছে,  
জোনবাই মেঘৰ আঁৰত লুকাইছে,  
বৰষুণ নামিছে, বতাহ বলিছে,  
সকলোৱে নীৰৱে নিজৰ কাৰ্য সম্পূৰ্ণ কৰি গৈছে,  
কেৱল মই পৰা নাই, সম্পন্ন কৰিবলৈ  
জীৱনৰ আধৰুৱা পাঠ।  
অসমাপ্তিৰ দলিছাত ই গা এৰি দিছে।  
কিহৰ ইমান দুখ, কষ্ট,  
নোপোৱাৰ হাবিয়াস,  
হেৰুওৱাৰ আক্ষেপ,  
যিমান আছে সিমানতেই কিয়  
সুখী নহয় বাৰু, ?  
যিবোৰ পাইছা, হেৰুৱাইছা,  
লগত লৈ আনিছিলা জানো ?  
লগত নিয়াৰোঁ কোনো ব্যৱস্থা নাই,  
সকলো কেৱল মোহ মায়াত  
আৱদ্ধ হৈ মৰো।

# ডিব্ৰুগড়ত সাহিত্যিক ড° নগেন শইকীয়াক জীৱন জোৰা সাধনা বঁটা



ৰঙিলী বাৰ্তাসেৱা- ডিব্ৰুগড়ত মিতভাষ স্ৰষ্টা, প্ৰথিতযশা সাহিত্যক ড° নগেন শইকীয়াক জীৱনজোৰা সাধনা বঁটা প্ৰদান কৰে সাদিন প্ৰতিদিন গোষ্ঠীয়ে। এই উদ্দেশ্যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰংঘৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত অনুষ্ঠানত বঁটা প্ৰদান কৰে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে। সাদিন প্ৰতিদিনৰ "এচিভাৰ এৱাৰ্ড-২০২৪" বঁটা গ্ৰহণ কৰি ড° নগেন শইকীয়াই কয় যে তেওঁ এই বঁটা লৈ সুখী। তেওঁ আৰু কয় যে মই মোৰ মাতৃ ভাষাত লিখা এজন সামান্য লেখক, অসম হৈছে মোৰ মাতৃ, অসম কেশৰীৰ পৰা শিকিছো অসমীয়া জাতীয়তবাদ, ভাৰতীয় মহাজীৱনতাবাদ আৰু মানৱতাবাদৰ আদৰ্শ ধাৰা। ভাষণৰ শেষত তেওঁ কয় মই বন্দনা কৰোঁ - মেলিলো প্ৰথম চকু তোমাৰ কোলাতে আই জনমৰ আদিম পুৱাত, মুদিম আকৌ চকু তোমাৰ কোলাতে শুই জীৱনৰ শেষ সন্ধিয়াত। সাদিন প্ৰতিদিন গোষ্ঠীয়ে তেওঁক উপহাৰৰ লগত ১, ১১, ১১১/-টকাৰ এখন চেক প্ৰদান কৰে। বিশিষ্ট সাংবাদিক, সাহিত্যিক, সমালোচক হাইদৰ হুছেইনক উপহাৰৰ লগতে ৫৫, ৫৫৫/-টকাৰ এখন চেক প্ৰদান কৰে। এই অনুষ্ঠানতে এঘাৰ গৰাকী বিশিষ্ট ব্যক্তি, এটাকৈ সংস্থা গোটক এৱাৰ্ড প্ৰদান কৰে। অভিনেতা বিষ্ণু খাৰঘৰীয়া, শিল্পী চৈয়দ ছাদুল্লা, বিদুৰ ভাই পৰিয়াল, চিত্ৰ কলাৰ বাবে চালেহা আহমেদ আদিক বঁটাৰে সন্মানিত কৰা হয়। অনুষ্ঠানত উপস্থিত থাকে প্ৰতিদিনৰ অধ্যক্ষ জয়ন্ত বৰুৱা, ডিব্ৰুগড় বিশ্বিদ্যালয়ৰ উপাচাৰ্য ড° জিতেন হাজৰিকা প্ৰমুখ্যে অনেক বিশিষ্ট ব্যক্তি।

# মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক

ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰে। উক্ত অনুষ্ঠানৰ লগত সঙ্গতি ৰাখি অসম নেপালী সাহিত্য সভাৰ নিৰ্বাচনৰ ফলাফলো ঘোষণা কৰা হয়। শিৱাজী ৰায় সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত হোৱা সোণালী জয়ন্তী আৰু অসম নেপালী সাহিত্য সভাৰ ত্ৰিবাৰ্ষিক সাধাৰণ সন্মিলনত ক্ৰমে সভাপতি, কাৰ্যকৰী সভাপতি আৰু সাধাৰণ সম্পাদক নিৰ্বাচিত হয়। সভাপতি ড° চিন্তামণি শৰ্মা, কাৰ্যকৰী সভাপতি ড° ইন্দুপ্ৰভা দেৱী আৰু সাধাৰণ সম্পাদক তিলক শৰ্মা নিৰ্বাচিত হয়। মুকলি সভাত ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে মন্ত্ৰী অতুল বৰা, বিধান সভাৰ উপাধ্যক্ষ ড° নোমল মমিন, সাংসদ কামাখ্যা প্ৰসাদ তাছা, স্থানীয় বিধায়ক বিশ্বজিৎ ফুকন, বিধায়ক ভাস্কৰ শৰ্মা, বিধায়ক গণেশ লিম্বু, গোৰ্খা উন্নয়ন পৰিষদৰ অধ্যক্ষ প্ৰেম তামাং, এ এচ টি চিৰ প্ৰাক্তন চেয়াৰমেন অশোক ভট্টৰায়, গোৰ্খা স্বায়ত্ত শাসিত পৰিষদ দাবী সমিতিৰ অধ্যক্ষ হৰ্কবাহাদুৰ ছেত্ৰী, অসম লঘু উদ্যোগ উন্নয়ন নিগমৰ অধ্যক্ষ কিশোৰ উপাধ্যায়, কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং আৰু জিলা আয়ুক্ত পুলক মহন্তকে ধৰি সৰুপথাৰ সমজিলা প্ৰশাসনৰ বিষয়াসকল আৰু আৰক্ষী প্ৰশাসনৰ লগতে লক্ষ্যাধিক লোক উপস্থিত থাকে। আনহাতে ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সৰুপথাৰত উপস্থিত হৈ প্ৰথমতে কুশল কোঁৱৰ ষ্টেডিয়ামৰ লগতে নতুনকৈ নিৰ্মাণ কৰা এটি ইনড'ৰ ষ্টেডিয়ামৰ শুভ উদ্বোধন কৰে আৰু সৰুপথাৰ কুশল কোঁৱৰ ষ্টেডিয়ামত এটি ছুইমিং পুলৰ আধাৰশিলা স্থাপন কৰে। পৰৱৰ্তী সময়ত মুখ্যমন্ত্ৰীয়ে ৰাইজক সম্বোধন কৰি সৰুপথাৰ মণ্ডল বিজেপি কাৰ্যালয়ৰ এটি সভাগৃহৰ শুভ উদ্বোধন কৰে ।ইয়াৰ সমান্তৰালকৈ তেওঁ সৰুপথাৰ ছেৰাগুৰিস্থিত এটি গ্ৰাম্য ষ্টেডিয়াম উদ্বোধন কৰে আৰু সৰুপথাৰত বিধায়ক বিশ্বজিৎ ফুকনৰ তত্বাৱধানত প্ৰায় ১৫ কোটি টকা ব্যয় সাপেক্ষে নতুনকৈ নিৰ্মাণ কৰা সৰুপথাৰ সম-জিলাৰ অসামৰিক চিকিৎসালয়ৰ শুভ উদ্বোধন কৰে। মুখ্যমন্ত্ৰীয়ে লগতে অসামৰিক চিকিৎসালয়তে নুমলীগড় তেল শোধনাগাৰৰ চি এছ আৰ পুঁজিৰ দ্বাৰা এটি অক্সিজেন প্লেন্টৰ শুভ উদ্বোধন কৰে।

# জামুগুৰিহাটত যুৱ মৰ্চাৰ

পুষ্পাঞ্জলী অৰ্পন কৰি বীৰ শ্বহীদক স্মৰণ কৰে। ড° হিমন্ত বিশ্ব শৰ্মাই ৰাইজক সম্বোধন কৰি কয় যে, আজিৰ দিনটোতে অসম মাতৃৰ শ্ৰীচৰণ ধুৱাই খৰ্গেশ্বৰ তালুকদাৰে আত্মবলিদান দিয়ে। অসম আন্দোলনৰ বীৰ শ্বহীদে নিজৰ তেজেৰে জাতিক ধুৱাই মহীয়ান কৰিব খুজিছিল। শ্বহীদৰ বলিদানেৰে অসম চুক্তিৰ জড়িয়তে আন্দোলনৰ সমাপ্ত হৈছিল যদিও এতিয়াও অসমৰ আকাশৰ পৰা অন্ধকাৰ আতৰা নাই। কংগ্ৰেছ চৰকাৰেই অসমৰ ৮৫৫জন ডেকা ল'ৰাক হত্যা কৰিছিল। ইন্দিৰা গান্ধীৰ নিৰ্দেশতে অসমত হত্যালীলা চলিছিল। লোকপ্ৰিয় গোপীনাথ বৰদলৈয়ে যি আধাৰ নিৰ্মাণ কৰিছিল, সেই আধাৰ কংগ্ৰেছ দলে মষিমূৰ কৰি স্বাধীনতাৰ পিছৰে পৰা অসমীয়া জাতিটো দুৰ্বল কৰিবলৈ চেষ্টা কৰি আহিছে। সেই কংগ্ৰেছ দলক যদি কোনোবাই শক্তিশালী কৰিব খোজে তেনেহলে অসমীয়া জাতি দুৰ্বল হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আকৌ কয় যে, বিজেপি চৰকাৰৰ বিৰামহীনবাবে খিলঞ্জীয়া লোকৰ সুৰক্ষাৰ বাবে কাম কৰিছে। কাজিৰঙাত সন্দেহযুক্ত নাগৰিকে বনাই লোৱা দুৰ্গ ভাঙি কাজিৰঙা সুৰক্ষিত কৰিছো ।গৰুখুটি প্ৰকল্প আৰম্ভৰে সন্দেহযুক্ত নাগৰিকক আতৰাই খিলঞ্জীয়া লোকক আত্মসংস্থাপনৰ পৰিৱেশ নিৰ্মাণ কৰিছো ।কচুতলিৰ ট্ৰাইবেল বেল্ট আৰু ব্লকৰ মাতি সন্দেহজনক নাগৰিকৰ পৰা উদ্ধাৰ কৰি জনজাতীয় লোকৰ ভুমিৰ অধিকাৰ সুৰক্ষিত কৰাৰ প্ৰচেষ্টা লৈছো । যোৱা তিনিবছৰত অসম চৰকাৰে বেদখল হোৱা সত্ৰ নামঘৰৰ মাতি, বনাঞ্চলৰ মাতি দহ হেজাৰ হেক্টৰ মাটি বেদখল মুক্ত কৰিবলৈ সক্ষম হৈছে। ভাষণ প্ৰসংগ মুখ্যমন্ত্ৰী গৰাকীয়ে অসমীয়া খিলঞ্জীয়া লোকে সন্দেহজনক মানুহক ভুমি বিক্ৰী নকৰিবলৈ আজিৰ শ্বহীদ দিৱসৰ দিনটোতে আহ্বান জনায়। শ্বহীদ দিৱসৰ অনুষ্ঠানত ভাৰতীয় জনতা পাৰ্টীৰ ৰাজ্যিক সভাপতি ভবেশ কলিতা, যুৱ মৰ্চাৰ সভাপতি ৰাকেশ দাস, নদুৱাৰ সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই ভাষণ প্ৰদান কৰে। বিধায়ক মানব ডেকা, দিগন্ত ঘাটোৱাৰ, উৎপল বৰা, প্ৰমোদ বৰঠাকুৰ, কৃষ্ণকমল তাতি, গণেশ লিম্বু, দিপ্লু ৰঞ্জন শৰ্মা আদি উপস্থিত থাকে।

# ২০১৪ চনত ৰাষ্ট্ৰীয়

বিকাশৰ ওপৰত বিশ্বাস ৰাখি আমি ৫০০ নিযুত মেট্ৰিক টনৰ লক্ষ্য নিৰ্ধাৰণ কৰিছোঁ।" সৰ্বানন্দ সোণোৱালে লগতে কয়, "পুনৰুজ্জীৱিত ৰাষ্ট্ৰীয় জলপথসমূহে ইয়াৰ প্ৰদৰ্শন যথেষ্ট উন্নত কৰিছে কিয়নো ইয়াৰ দ্বাৰা পৰিবহণ কৰা সামগ্ৰীৰ মুঠ পৰিমাণ ২০১৩-১৪ বৰ্ষত ১৮.০৭ নিযুত মেট্ৰিক টনৰ পৰা ২০২৩-২৪ বৰ্ষত ১৩২.৮৯ নিযুত মেট্ৰিক টনলৈ বৃদ্ধি পাইছে, যাৰ ফলত ৬০০% তকৈও অধিক বৃদ্ধি হৈছে। আমি ২০৩০ চনৰ ভিতৰত জলপথৰ জৰিয়তে ১৯৯.৯৯ নিযুত মেট্ৰিক টন কাৰ্গ' চলাচলৰ লক্ষ্য নিৰ্ধাৰণ কৰিছোঁ। ২০৪৭ চনৰ প্ৰতি লক্ষ্য ৰাখি কাৰ্গ চলাচলৰ ক্ষেত্ৰত এক কাৰ্যকৰী বিকল্প হিচাপে আভ্যন্তৰীণ জলপথৰ বিকাশৰ ওপৰত বিশ্বাস ৰাখি আমি ৫০০ নিযুত মেট্ৰিক টনৰ লক্ষ্য নিৰ্ধাৰণ কৰিছোঁ।"

# গুৱাহাটী জিলা

আৰম্ভ হয়। কমচোমলৰ আহ্বায়কদ্বয়ৰ উপস্থিতিত উদ্দেশ্য ব্যাখ্যা কৰে গাৰ্গী বড়ো কাকতিয়ে। মুখ্য বক্তা হিচাপে বক্তব্য দাঙি ধৰে এছ ইউ চি আই(চি) দলৰ ৰাজ্যিক সম্পাদক তথা জননেত্ৰী চন্দ্ৰলেখা দাসে। তেওঁ কয় যে আজি পাঠ্যপুথিত কনকলতা, ভগৎ সিং, নেতাজী সুভাষচন্দ্ৰ বসু, কুশল কোঁৱৰৰ জীৱন-সংগ্ৰামৰ কোনো উল্লেখ নাই। তেওঁলোকে বৃটিছ সাম্ৰাজ্যবাদীসকলৰ শাসন- শোষণৰ পৰা দেশবাসীক মুক্ত কৰিবলৈ জীৱন-যৌৱন বলিদান দিবলৈ কুণ্ঠাবোধ কৰা নাছিল। এই বীৰত্বপূৰ্ণ আত্মবলিদানৰ বিনিময়ত দেশ স্বাধীন হ'লেও দুখীয়া, নিপীড়িত মানুহে মুক্তি লাভ কৰা নাই। মূল্য বৃদ্ধি, শিক্ষা- চিকিৎসা, কৰ্মহীনতাৰ সমস্যাত সাধাৰণ মানুহ জৰ্জৰিত হৈ আছে। তদুপৰি ছাত্ৰ-ছাত্ৰীসকলৰ নৈতিক মেৰুদণ্ড ভাঙি দিয়াৰ বাবে মদ-ড্ৰাগছ, অশ্লীলতা- অপসংস্কৃতিৰ ব্যাপক প্ৰচলন ঘটাই থকা হৈছে। এনে পৰিস্থিতিত শ্বহীদ কনকলতাৰ দৰে স্বাধীনতা আন্দোলনৰ অমৰ দেশপ্ৰেমিক সকলৰ জীৱন- সংগ্ৰামৰ চৰ্চাই নৱপ্ৰজন্মক সত্যসন্ধানী, নিৰ্ভীক, দেশপ্ৰেমিক হবলৈ উৎসাহিত কৰিব। তেওঁ উপস্থিত সকলো ছাত্ৰ- ছাত্ৰীক প্ৰকৃত মানুহ হোৱাৰ সাধনাত নিমজ্জিত হোৱাৰ লগতে নিজৰ বন্ধু - বান্ধৱী, ভাই - ভনীয়েককক আজিৰ যুগৰ প্ৰকৃত দেশপ্ৰেমিক চৰিত্ৰৰ অধিকাৰী হবলৈ অনুপ্ৰাণিত কৰাৰ বাবে আহ্বান জনায়। আলোচনা সভাৰ পিছত ৰাজ্যৰ বিভিন্ন জিলাৰ পৰা আগত ছাত্ৰ ছাত্ৰীসকলে দেশপ্ৰেমমূলক গীত কবিতা আৰু নৃত্য পৰিৱেশন কৰে।

# ৰমেন চন্দ্ৰ বৰঠাকুৰ

মুনাফা আদায় কৰি আহিছে, কিন্তু তৃণমূল কংগ্ৰেছে বৰাক-ব্ৰহ্মপুত্ৰ, সকলো জাতি-জনজাতি নিৰ্বিশেষে সকলোৰে বাবে কাম কৰি যাব। অসমক পুনৰ বিভাজিত কৰিবলৈ তৃণমূল কংগ্ৰেছে আকৌ নিদিয়ে, আমি সমন্বয়ৰ কাৰণে কাম কৰিম। আমি এতিয়া যদি ভাষা-বৰ্ণৰ ৰাজনীতি কৰো তেন্তে অসমে কোনোদিনেই প্ৰগতিৰ দিশে আগবাঢ়িব নোৱাৰিব। অসমৰ যি ছয় জনগোষ্ঠীৰ সমস্যা সমাধানৰ প্ৰধানমন্ত্ৰী মোডীয়ে যি প্ৰতিশ্ৰুতি দিছিল সেয়া কোনোদিন সমাধান ন'হল আমি তৃণমূল কংগ্ৰেছে ইয়াৰ বাবে মাত মাতি যাব আৰু সংসদত ইয়াৰ বিষয়ে উত্থাপন কৰিব। তালিগাঞ্জৰ ভুপেন হাজৰিকাদেৱৰ বাসগৃহ সংৰক্ষণ তথা মধুপুৰ সত্ৰক বৈষ্ণৱী কেন্দ্ৰলৈ পৰিৱৰ্তন কৰাৰ প্ৰসংগতো ব্যৱস্থা গ্ৰহণৰ প্ৰতিশ্ৰুতি দিছো। আগতে তৃণমূল কংগ্ৰেছ মা-মাটি-মানুহৰ দল আছিল আৰু এতিয়া তৃণমুল কংগ্ৰেছ মা-মাটি-মানুহৰ সৈতে সমন্বয়ৰে কাম কৰি যাব।"

# হাইলাকান্দিত মনোজ

ঠাইৰ নাম পৰিৱৰ্তন, গোমাংস আদি ইছ্যু কৰা হৈছে।" আনহাতে সংবাদমেলত আগন্তুক দিনত ৰাজ্যৰ ৰাজনীতিত কংগ্ৰেছৰ সৈতে আপৰ মিত্ৰতাৰ সম্ভাৱনীয়তাৰ বিষয়ে আপৰ ৰাজ্যিক সভাপতি গৰাকীয়ে কয়-" বিৰোধী দল সমূহৰ মিত্ৰতাৰ এই সমগ্ৰ বিষয়টো কংগ্ৰেছৰ সদিচ্ছাৰ ওপৰত নিৰ্ভৰ কৰিব।" উল্লেখ্য যে পাঁচ দিনীয়া ভ্ৰমণ সূচীৰে বৰাক উপত্যকাত সভাপতি ধানোৱাৰৰ নেতৃত্বত আম আদমী পাৰ্টিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহকৰ এটা দলে সম্পৰ্ক যাত্ৰা অভিযান আৰম্ভ কৰিছে। মঙলবাৰে শ্ৰীভূমিত দলীয় কাৰ্যসূচীত অংশগ্ৰহণৰ পিছত হাইলাকান্দি জিলাৰ আপৰ কৰ্মকৰ্তা সকলৰ সৈতে বৈঠকত মিলিত হয়। ইয়াৰ মাজতে ধানোৱাৰে দলৰ কাৰ্যালয়ত সংবাদমেল সম্বোধন কৰে। সংবাদমেলত আপৰ ৰাজ্যিক সাধাৰণ সম্পাদক ৰাজীৱ শইকীয়া, উপ সভাপতি সৌমিক সেনগুপ্ত, সাংগঠনিক সম্পাদক জয়ন্ত শইকীয়া, সামাজিক মাধ্যমৰ ৰাজ্যিক সমন্বয়ক তাৰিক চৌধুৰী আৰু আন কেইবাগৰাকীও জ্যেষ্ঠ নেতা উপস্থিত থাকে।

# ধুবুৰীৰ পৰা গ্ৰেপ্তাৰ গড়চুক

সংবাদ মাধ্যমৰ আগত দিছে। তেওঁলোকৰ মতে, নিজৰাপাৰৰ দুৰ্গা মন্দিৰ চৌহদত প্ৰায়ে নিশাৰ ভাগত আটাইকেইজনে সমৱেত হয়। নিশা বহু পৰলৈকে তেওঁলোকে তাত বিভিন্ন ধৰণৰ ম'বাইল গেম খেলা বুলি সদৰী কৰিছে যদিও আৰক্ষী সূত্ৰই জানিবলৈ দিয়া মতে, উক্ত ধৰ্ষণকাৰীকেইটাৰ দৰে আন বহু উচ্ছৃংখল যুৱকে নিশাৰ ভাগত ঠাইডোখৰৰ নিৰ্জনতাৰ সুযোগ গ্ৰহণ কৰি তাত নিচাজাতীয় দ্ৰব্য সেৱনত ব্যস্ত থাকে। ঘটনাটো সংঘটিত হোৱাৰ দিনাখনো আটাইকেইজন যুৱকে অত্যাধিক নিচাসক্ত অৱস্থাত আছিল বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে ধৃত আঠজনক আদালতত হাজিৰ কৰায়। ইয়াৰ ভিতৰত অভিযুক্ত মৃণাল ৰাভা আৰু বিজয় ৰাভাই ৰাজসাক্ষী হোৱাৰ কথা আদালতত উল্লেখ কৰে। আন ছয়জন অভিযুক্ত ক্ৰমে ৰবীন দাস, কুলদীপ নাথ, পিংকু দাস, সৌৰভ বড়ো, দীপাংকৰ মুখীয়া, গগণ দাসক আদালতে পাঁচ দিনৰ আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰে। ধুবুৰীৰ গোলকগঞ্জৰ পৰা গ্ৰেপ্তাৰ কৰা নৰমটো অভিযুক্ত কৃষ্ণ বৰ্মনক সন্ধিয়াৰ ভাগত ধুবুৰীৰ পৰা গড়চুক থানালৈ অনা হয়। আৰক্ষীয়ে নিশাটো থানাতে ধৃত বৰ্মনক মাৰাথন জেৰা চলাই আদালতত হাজিৰ কৰাব। সমগ্ৰ ঘটনাটোৰ অন্যতম অভিযুক্ত ধৃত কৃষ্ণ বৰ্মনক আৰক্ষীয়ে নিজৰ জিম্মাত বিচাৰিব বুলি জানিব পৰা গৈছে। ইপিনে, চাঞ্চল্যকৰ অভিযোগটোৰ মাজতে ধৃত ৯ অভিযুক্তৰ মাজৰ মৃণাল ৰাভা নামৰ অভিযুক্তজনে উক্ত ঘটনাত কোনো কাৰণতে জড়িত নহয় বুলি সংবাদ মাধ্যমৰ সন্মুখত উল্লেখ কৰে। মৃণাল ৰাভাৰ মতে, ঘটনাটো সংঘটিত হোৱাৰ দিনা তেওঁ নিশা প্ৰায় ৩মান বজাত তালৈকে গৈছিল যদিও মহিলাগৰাকীক কোনো কাৰণতে যৌন নিৰ্যাতন চলোৱা নাছিল। বাকীকেইজনে অনাহকতে তেওঁক দলবদ্ধ ধৰ্ষণৰ ঘটনাত সাঙুৰিছে বুলি মন্তব্য কৰে। ইপিনে, তাৎপৰ্যপূৰ্ণভাৱে দলবদ্ধ ধৰ্ষণৰ ঘটনাটোৰ অন্যতম ভুক্তভোগী মহিলাগৰাকীৰ তৰফৰ পৰা এতিয়ালৈকে গড়চুক থানাত কোনোধৰণৰ অভিযোগ দাখিল কৰা হোৱা নাই। আৰক্ষী সূত্ৰই সদৰী কৰা মতে, মহিলাগৰাকীৰ কোনোধৰণৰ সন্ধান এতিয়ালৈকে আৰক্ষীয়ে লাভ কৰা নাই। কিন্তু অসমৰ্থিত সূত্ৰৰ মতে, মহিলাগৰাকী বা তেওঁৰ পৰিয়ালে এই সন্দৰ্ভত কোনোধৰণৰ গোচৰ ৰুজু কৰিবলৈ ইচ্ছুক নহয় বুলি জানিব পৰা গৈছে। গড়চুক থানাই এই সন্দৰ্ভত নিজা বৰীয়াকৈ ৪১২/২৪ নম্বৰত এটা গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে।

# ড্ৰাগছ সৰবৰাহকাৰীৰ

বেৰিকেড ভাঙি তীব্ৰবেগে গাড়ীখন লৈ পলায়ন কৰে। ড্ৰাগছভৰ্তি ট্ৰাকখনৰ চালকে তীব্ৰবেগে গাড়ীখন লৈ পলায়ন কৰোঁতে কৰ্তব্যৰত আৰক্ষী কনিষ্টবল উজ্জ্বল বৰাই বাধা প্ৰদান কৰিবলৈ যাওঁতে চালকে কনিষ্টবলগৰাকীক মহটিয়াই লৈ যায়। লগে লগে দুৰ্ঘটনাগ্ৰস্ত কনিষ্টবল উজ্জ্বল বৰাক কৰিমগঞ্জ চৰকাৰী চিকিৎসালয়লৈ আনে যদিও চিকিৎসকে মৃত্যু বুলি ঘোষণা কৰে। মৃত্যু আৰক্ষী কনিষ্টবল উজ্জ্বল বৰা যোৰহাট জিলাৰ চুতীয়াকাৰী গাঁৱৰ প্ৰয়াত গোপাল বৰাৰ পুত্ৰ। ২০২২ চনত আৰক্ষী কনিষ্টবল হিচাপে বৰ্তমানৰ শ্ৰীভূমিত যোগদান কৰিছিল। উজ্জ্বল বৰাৰ মৰণোত্তৰ পৰীক্ষাৰ অন্তত আৰক্ষীৰ যাৱতীয় আনুষ্ঠানিকতা সম্পন্ন কৰি কৰিমগঞ্জৰ পৰা যোৰহাট চুতীয়াকাৰি গাঁৱৰ ঘৰলৈ মৃতদেহ লৈ যোৱা হয়। ইপিনে ঘটনা সংঘটিত কৰি ট্ৰাকচালকে বেপৰোৱা হৈ গাড়ীখন লৈ পলায়ন কৰোঁতে আৰক্ষীয়ে পিছফালৰ পৰা খেদি গৈ ৰাতাবাৰী সমষ্টিৰ দুৰ্লভছড়া নিভিয়া ফানাইৰবন্দ এলেকাত গৈ দুৰ্ঘটনাত পতিত হয়। ৰাস্তাৰ পৰা পথাৰত বাগৰি পৰাৰ লগে লগে আৰক্ষী দৌৰি গৈ চালক অভিজিৎ কৰ আৰু সহঃচালক গিয়াছ উদ্দিনক আটক কৰে। ইপিনে পিছফালৰ পৰা খেদি অহা আৰক্ষীৰ গাড়ীখনো দুৰ্ঘটনাত পতিত হয়। শেষত আৰক্ষীয়ে এক্সকেভেটৰ লগাই দুয়োখন গাড়ী উঠাই ৰাতাবাৰী থানালৈ আনে। ড্ৰাগছ সৰবৰাহকাৰীৰ গাড়ীখন তালাচী চলাই আৰক্ষীয়ে ২০ হাজাৰ নিচাজাতীয় য়াবা টেবলেট উদ্ধাৰ কৰে। যাৰ বজাৰ মূল্য প্ৰায় ৪ কোটি টকা বুলি আৰক্ষী সূত্ৰে জানিবলৈ দিয়ে। বৰ্তমান ঘাতক চালক অভিজিৎ কৰ আৰু সহঃচালক গিয়াছ উদ্দিনক আৰক্ষীয়ে আটক কৰি আইনী প্ৰক্ৰিয়া আৰম্ভ কৰিছে।

# বিশ্ব দবাত ইতিহাস ৰচিলে

স্কুল দবা প্ৰতিযোগিতাত চেম্পিয়ন হৈছিল। অনূৰ্ধ ১২ বছৰ স্তৰতো তেওঁ বিভিন্ন প্ৰতিযোগিতাত ৫টা স্বৰ্ণপদক জয় কৰিছিল। মাত্ৰ ১২ বছৰ ৭ মাহ ১৭ দিন বয়সতে তেওঁ গ্ৰেণ্ড মাষ্টাৰৰ যোগ্যতা অৰ্জন কৰে। ভাৰতৰ কনিষ্ঠতম আৰু বিশ্বৰ দ্বিতীয় কনিষ্ঠতম হিচাপে গ্ৰেণ্ড মাষ্টাৰ হয় গুকেশ। উল্লেখ্য যে ১২ বছৰ ৭ মাহ বয়সত গ্ৰেণ্ড মাষ্টাৰ হৈছিল ৰাছিয়াৰ ছেৰ্গে কাৰজাকিন। ভাৰতীয় দবাত গুকেশৰ উত্থান আছিল উল্কাৰ দৰে গতিময়। ২৬ বছৰ পিছত আনন্দক অতিক্ৰম কৰি ভাৰতৰ ১নং দবাৰু হয় গুকেশ। ২০২২ চনত অলিম্পিয়াডত একক বিভাগত স্বৰ্ণজয় কৰিছিল গুকেশে। ২০২৩ চনত আটাইতকৈ কম বয়সত ২৭৫০ ৰেটিং পইন্টত উপনীত হয় তেওঁ। সেই বছৰেই ছেপ্টেম্বৰত আনন্দক অতিক্ৰম কৰি ভাৰতীয়সকলৰ ভিতৰত ক্ৰম তালিকাত শীৰ্ষস্থানলৈ উন্নীত হয় গুকেশ। এইবাৰ সৰ্বকনিষ্ঠ হিচাপে বিশ্ব চেম্পিয়নৰ খিতাপ অৰ্জনেৰে তেওঁ ইতিহাস সৃষ্টি কৰিলে। বিজয়ৰ সূত্ৰে গুকেশে ১১.৪৫ কোটি টকা পুৰস্কাৰ লাভ কৰিব। ছিংগাপুৰত অনুষ্ঠিত প্ৰতিযোগিতাখনত এই ঐতিহাসিক বিজয়ৰ পিছতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুকেশলৈ অভিনন্দন জ্ঞাপন কৰে। গুকেশৰ এই সাফল্যৰ পিছতে সমগ্ৰ দেশৰ ক্ৰীড়া মহলত আনন্দৰ জোৱাৰ উঠিছে।

# যানজঁটত অতিষ্ঠ

কুমাৰপাৰা পাঁচআলিত দিনক দিনে ফাষ্টফুড ব্যৱসায়ীৰ সংখ্যা বৃদ্ধি পাব ধৰিছে। ফাষ্টফুডৰ দোকানত খাবলৈ অহা লোকসকলে পথৰ দুয়োকাষে পাৰ্কিং কৰাৰ ফলত ব্যস্ত অঞ্চলটোত তীব্ৰ যানজঁটৰ সৃষ্টি হৈ আহিছে। কুমাৰপাৰা আঞ্চলিক উন্নয়ন সমিতিয়ে শীঘ্ৰে কুমাৰপাৰা পাঁচআলিত পথ দখল কৰি অবৈধভাৱে ব্যৱসায় কৰি অহা লোকসকলক উচ্ছেদ কৰি অঞ্চলবাসীক সুচল যাতায়াত ব্যৱস্থা প্ৰদান কৰিবলৈ জিলা প্ৰশাসনক দাবী জনাইছে। শেহতীয়াকৈ মহানগৰবাসীক সুচল যাতায়াত ব্যৱস্থা প্ৰদানৰ স্বাৰ্থত দীঘলীপুখুৰীৰ পাৰত থকা দোকান-পোহাৰসমূহ পৌৰ নিগমে উচ্ছেদ কৰিছিল। ন্যায়ালয়ৰ নিৰ্দেশনা উলংঘাৰে কুমাৰপাৰা পাঁচআলিত পথ, পদপথ দখলেৰে ব্যৱসায় কৰি অহা অবৈধ ব্যৱসায়ীসকলক উচ্ছেদ নকৰাত কুমাৰপাৰা আঞ্চলিক উন্নয়ন সমিতিয়ে জিএমচি কৰ্তৃপক্ষৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰে।

# 'এক দেশ এক নিৰ্বাচন' বিধেয়কত

প্ৰধানমন্ত্ৰীগৰাকীৰ এই ভাষণৰ পিছতে চৰ্চা চলিছিল যে এনডিএ চৰকাৰৰ চলিত কাৰ্যকালতে কাৰ্যকৰী হ'ব 'এক দেশ এক নিৰ্বাচন'ৰ বিধি। চৰকাৰে সঘনে এই বিষয়টোত যুক্তি দৰ্শাই আহিছে যে 'এক দেশ এক নিৰ্বাচন' ব্যৱস্থা বলবৎ হ'লে নিৰ্বাচনত যি বিপুল অংকৰ ধনৰ খৰচ হৈ থাকে, সেয়া যথেষ্ট হ্ৰাস পাব। 'এক দেশ এক নিৰ্বাচন'ৰ বাস্তৱতাক বিচাৰ কৰি চাবলৈ প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোৱিন্দৰ নেতৃত্বত এখন কমিটী গঠন কৰি দিছিল কেন্দ্ৰীয় চৰকাৰে। যোৱা মাৰ্চ মাহত সেই কমিটীয়ে ৰাষ্ট্ৰপতি ভৱনলৈ গৈ দ্ৰৌপদী মুৰ্মৰ ওচৰত প্ৰতিবেদন জমা দিয়ে। এই প্ৰতিবেদনত 'এক দেশ এক নিৰ্বাচন'ৰ পক্ষত সন্মতি প্ৰকাশ কৰা হৈছে। অৱশ্যে বিৰোধী দলসমূহে আৰম্ভণিৰে পৰা 'এক দেশ এক নিৰ্বাচন'ৰ বিৰোধিতা কৰি আহিছে। বিৰোধী নেতাসকলে অভিযোগ কৰিছে যে এই নীতিৰে আমেৰিকাৰ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ দৰে ব্যৱস্থা দেশত বলৱৎ কৰিব বিচাৰিছে মোদী চৰকাৰে। এনে ব্যৱস্থা যুক্তৰাষ্ট্ৰীয় গাঁথনি আৰু সংসদীয় গণতন্ত্ৰৰ পৰিপন্থী বুলি যুক্তি দৰ্শাই আহিছে বিৰোধী নেতাসকলে। লক্ষণীয়ভাৱে ৰামনাথ কোৱিন্দ নেতৃত্বাধীন কমিটীয়ে প্ৰতিবেদনত লোকসভা আৰু বিধানসভা নিৰ্বাচন একে সময়তে অনুষ্ঠিত কৰাৰ প্ৰস্তাৱ আগবঢ়াইছে। আনকি পঞ্চায়ত আৰু পৌৰ নিৰ্বাচনৰ দৰে আঞ্চলিক নিৰ্বাচনসমূহো একেই সময়তে অনুষ্ঠিত কৰাৰ প্ৰস্তাৱ আগবঢ়োৱা হৈছে। বিৰোধী দলসমূহে পূৰ্বৰে পৰা এইক্ষেত্ৰত আপত্তি দৰ্শাই আহিছে। কেন্দ্ৰীয় মন্ত্ৰীসভাই এই প্ৰস্তাৱত অনুমোদন জনোৱাৰ লগে লগে ইয়াৰ বিৰোধ কৰিছে কংগ্ৰেছ, তৃণমূল কংগ্ৰেছ (টিএমচি), চিপিআই (এম) সহ বিভিন্ন বিৰোধী দলে। টিএমচি নেত্ৰী মমতা বেনাৰ্জীয়ে মন্তব্য কৰিছে যে 'এক দেশ এক নিৰ্বাচন' বিধেয়ক অসাংবিধানিক আৰু যুক্তৰাষ্ট্ৰীয় গাঁথনিৰ পৰিপন্থী। বিৰোধী নেতৃত্বৰ লগতে বিশেষজ্ঞ সকলে এই নিৰ্বাচন ব্যৱস্থাক লৈ উদ্বেগ প্ৰকাশ কৰা সত্বেও কেন্দ্ৰই তাক গুৰুত্ব নিদিয়া বুলি অভিযোগ কৰিছে বেনাৰ্জীয়ে। ইফালে কংগ্ৰেছ আৰু চিপিআই(এম)ৰ তৰফৰ পৰাও এই বিধেয়ক অসাংবিধানিক হ'ব বুলি মন্তব্য কৰিছে।

# মাজুলীতো চতুৰ্থটো তথা

কৰা হয়। এই ৰাষ্ট্ৰীয় লোক আদালতত বিভিন্ন আপোচযোগ্য ফৌজদাৰী গোচৰ, বিবাহ জনীত গোচৰ, চেক বাউঞ্চৰ গোচৰ, যান বাহন ১৯৮৮ আইন অধীনৰ গোচৰ সমূহ নিস্পত্তিৰ দিহা কৰা হয় । ইয়াৰোপৰি বিভিন্ন বেংকৰ ঋণ আদায় সমন্ধীয়, বিজুলী বিল আদায় সমন্ধীয়, বি -এছ-এন -এল-ৰ ফোনৰ বিল আদায় সমন্ধীয় মোকৰ্দমা গোচৰ সমূহ মীমাংসৰ বাবে ব্যৱস্থা গ্ৰহণ কৰে । জিলাখনত অনুষ্ঠিত এই ৰাষ্ট্ৰীয় লোক আদালতত অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ মুঠ গোচৰৰ সংখ্যা আছিল ২৫০ টা । ইয়াৰে ৪২ টা গোচৰৰ বিবাদ নিষ্পত্তি কৰা হয় আৰু ইয়াৰ পৰা মুঠ ২, ৮৫, ৭৫৩ টকা আহৰণ কৰা হয় । বেংক সমূহৰ বিভিন্ন বিবাদ সমূহৰ পৰা ১১, ৭৯, ৪১৪ টকা আহৰণ কৰা হয়। ভাৰত সঞ্চাৰ নিগম লিমিটেড বি এছ-এন-এল ৰ ২৬ টা বিবাদৰ ৪ টা বিবাদ নিষ্পত্তিৰ কৰি মুঠ ৯, ৭২৯ টকা আহৰণ হয়। যান বাহন ১৯৮৮ আইন অধীনৰ গোচৰ সমূহৰ মুঠ বিবাদ আছিল ৪৯১ টা । ইয়াৰে ২২৭ টা বিবাদ নিষ্পত্তি কৰি মুঠ ৪৯, ৯৫০ টকা আহৰণ হয়। লোক আদালত সমূহত উপস্থিত থাকে মাজুলী জিলা আৰু সত্ৰ ন্যায়াধীশ উৎপল প্ৰসাদ, জিলা মুখ্য ন্যায়িক দণ্ডাধীশ বংকিম শৰ্মা, আৰু জিলা আইন সেৱা প্ৰধীকৰণৰ তৰফৰ পৰা সচিব সৰস্বতী জহৰী পাদুন, মুখ্য আইন সহায়ক প্ৰতিৰক্ষা অধিবক্তা বুদ্ধেশ্বৰ পামেগাম, উপ আইন সহায়ক প্ৰতিৰক্ষা অধিবক্তা পাপৰি শইকীয়া আইন সহায়ক অধিবক্তা আৰু ববিতা বৰা।

# ENGLISH NEWS SECTION

## Assam Governor condoles sudden demise of Prof. Mihir Kanti Choudhury




Guwahati, RB News- Assam Governor Shri Lakshman Prasad Acharya condoled the demise of former Advisor Education to the Government of Assam and former Vice Chancellor, Tezpur University, Prof. Mihir Kanti Choudhury who breathed his last in a city hospital. In a statement Shri Acharya said, "I am deeply saddened to know the sudden death of Prof. Mihir Kanti Choudhury". As an academic he was par excellence and contributed immensely to the growth of higher education in Assam. He was also a good human being and apart from taking crucial role in stimulating intellectually imbued minds of the state, he helped his students to become virtuous human beings. His untimely departure is a great loss to the state and country. The Governor expressed his profound condolences to the bereaved family members and prayed to the Almighty for eternal peace of the departed soul.

## Anisha Baruah of Dibrugarh Secures 27th Rank in Assam Public Service Commission Exam



Guwahati, RB News- From a young age, Anisha Baruah of Chiring Chapori, Dibrugarh, dreamed of becoming an administrative officer. This highly talented individual has brought pride and honor to the district by securing the 27th rank in the recently announced Assam Public Service Commission (APSC) CCE results. Anisha Baruah, selected for the Assam Civil Service (ACS), completed her high school education with distinction at one of Dibrugarh's premier institutions, St. Mary's Higher Secondary School. She then earned a distinction in the science stream at Salt Brook Academy, Dibrugarh, before graduating with first-class honors with distinction from Biswanath college of Agriculture,Assam Agricultural University, Jorhat. In addition she got an opportunity for academic training cum exposure visit to IOWA State University in the United States of America during her undergraduate programme.Later, she achieved a first-class with distinction in postgraduate programme from College of Agriculture Jorhat,Assam Agricultural University, further showcasing her academic excellence. Anisha Baruah is the daughter of Dipok Baruah, a retired science teacher from Hatiali M.V. School, Dibrugarh and homemaker Barnali Baruah. Residents of Govinda Sharma Path in Chiring Chapori, the family credits Anisha's success to her relentless efforts and determination from a young age. According to her family and neighbors, it was her self-motivation and perseverance that led to this remarkable achievement.

## Mohammad Amir announces second international retirement



RB News- Pakistani pacer Mohammad Amir announced his retirement from international cricket on Saturday. This comes only months after coming out of retirement to play the T20 World Cup. The left-arm bowler had retired from all forms of international cricket in 2020. "After careful consideration, I have taken the difficult decision to retire from international cricket. These decisions are never easy but are inevitable. I feel this is the right time for the next generation to take the baton and elevate Pakistan Cricket to new heights!" he wrote on his social media handles.

## Hybrid model for Champions Trophy 2025 approved by ICC



RB News- The International Cricket Council (ICC) has approved a hybrid model for the 2025 Champions Trophy, with matches to be hosted in Pakistan and Dubai following an agreement between the PCB and BCCI. Additionally, both boards have reached a consensus on the 2026 T20 World Cup, deciding that Pakistan will not travel to India for the league-stage clash against India, which will instead be held in Colombo.

## 5-crore cash prize announced for youngest world chess champion Gukesh D by TN CM



RB News- Tamil Nadu CM MK Stalin has announced 5-crore reward for 18-year-old Grandmaster Gukesh D for becoming the youngest world chess champion. "His historic victory has brought immense pride and joy to the nation. May he continue to shine and achieve greater heights in the future," Stalin wrote on X. Gukesh defeated Ding Liren of China in the World Chess Championship.

## Shakib Al Hasan banned from bowling by ECB



RB News- Bangladeshi all-rounder Shakib Al Hasan has been banned from bowling in competitions organised by the ECB. This comes after his action was found illegal at independent testing at Loughborough University. His action was called into question by umpires in September during his appearance for Surrey in a county match. He'll need to pass independent reassessment of action to overturn suspension.

## Gillespie resigns as head coach of Pak Test team


RB News- Former Australian fast bowler Jason Gillespie has stepped down as head coach of Pakistan's Test team. The PCB confirmed his resignation on Thursday, adding to the growing turmoil within the national cricket setup. In a statement, the PCB said: "The PCB has named former Pakistan paceman Aaqib Javed as interim red-ball head coach following the resignation of Jason Gillespie." Javed, already serving as the interim white-ball coach after Gary Kirsten's departure in October, will now lead Pakistan in the two-Test series in South Africa starting December 26 in Centurion.

# মহাভাৰতৰ চৰিত্ৰৰ দ্বাৰা শিকিব লগা কথা

শেষত তেওঁ এই প্ৰতিজ্ঞাৰ বাবেই নিজৰ হাতৰ মুঠিত থকা সমস্ত ক্ষমতা প্ৰয়োগৰ দ্বাৰা একো কৰাৰ একো দুঃখিত হৈ ইচ্ছামৃত্যু হ'বলৈ বাধ্য হ'ল। এতিয়া কথা হ'ল ইমান এজন ডাঙৰ বীৰ ইচ্ছা মৃত্যু কিয় হ'ল! আচলতে তেওঁ সলনি হ'ব নোৱাৰা স্বভাৱ বাবে। কাৰণ এদিন তেওঁ যি প্ৰতিজ্ঞা কৰিছিল সেইয়া সেই সময়লৈ ঠিকেই আছিল কিন্তু লাহে লাহে সময় বাগৰি গ'ল আৰু সেই প্ৰতিজ্ঞা কোনো অৰ্থ নোহোৱা হ'ল, তথাপি তেওঁ পৰিবৰ্তন নহ'ল। শেষত পৰিবৰ্তন হ'ব নোৱাৰা বাবেই তেওঁ এজন মহান বীৰ হৈও একো কৰিব নোৱাৰিলে শেষ সময়ত। গতিকে ইয়াৰ দ্বাৰা এটা কথা বুজিব পাৰি মানুহ সদায় সময়ৰ লগত খাপ খুৱাই নিজক প্ৰস্তুত কৰি তুলিব লাগে বিভিন্ন সময়ত। আজি আপোনাৰ যিটো ভাল সেইটো আপোনাৰ কাইলৈ বাবে ভাল নহ'ব পাৰে, সেইয়েহে আজি যি স্বভাৱ আপোনাৰ আছে সেইয়া একেই নাৰাখি সময়ে সময়ে অলপ সলনি কৰি চলিব পাৰিলে ভাল।

এতিয়া আহো কৰ্ণ কথালৈ, তেওঁ আছিল মহাভাৰতৰ কুৰুক্ষেত্ৰ যি বিখ্যাত যুদ্ধ সেই যুদ্ধৰ সকলোকৈ শক্তিশালী যোদ্ধা, যি কথা ভগৱান কৃষ্ণই ও কৈছিল। তথাপি তেওঁ সেই যুদ্ধত কৰুণ মৃত্যুক সাৱটিব লগা হ'ল কাৰণ তেওঁ লাভ কৰিছিল দুজন মানুহৰ পৰা দুটা সাপ এজন হ'ল তেওঁৰ গুৰু পৰশুৰাম আন জন এজন ব্ৰাহ্মণ। পৰশুৰামে দিছিল তেওঁক মিছা কথা কোৱা বাবে আৰু ব্ৰাহ্মণ জনে দিছিল এটা জীৱ হত্যা কৰাৰ বাবে। এতিয়া তেওঁৰ জীৱনৰ পৰা শিকিব লগা কথাটো হ'ল, মিছা কথা নক'ব কাৰণ যিমানেই মিছা নকওঁক কিয় এদিন সত্য আৱিষ্কাৰ হ'ব সেইটো খাটাং। দ্বিতীয়তে এনেকুৱা ভুল কাম নকৰিব যিবোৰৰ বাবে আপুনি কৰা সকলো কষ্ট সকলো জ্ঞান এদিন অথলে যায়। আকৌ তেওঁৰ দ্বাৰা আৰু এটা কথা শিকিব পাৰি যে, কেতিয়াও নিজক শ্ৰেষ্ঠ ভাবি নলব, প্ৰমাণ নোপোৱা কৈ, কাৰণ প্ৰতি সময়ত নিজক শ্ৰেষ্ঠ বোলাটো মূৰ্খতা মাত্ৰ।

এই সকলৰ ওপৰি দুৰ্যোধনৰ আমি কিছুমান কথা শিকিব পাৰোঁ। মহাভাৰতৰ মূল খলনায়ক যাৰ বাবেই কুৰুক্ষেত্ৰ ৰণ হ'বলৈ পালে, তেওঁ হ'ল ৰজাৰ পুতেকত, সকলো আছে তথাপি আনৰ বস্তু লৈ লোভ বেছি, লোভেই পাপ, পাপেই মৃত্যু কথাটো খাতে তেওঁৰ লগত। আনৰ ভাল দেখিব নোৱাৰা, অহংকাৰ, জ্যেষ্ঠ জনক সন্মান কৰিব নজনা, নাৰীক উচিত সন্মান নিদিয়া বাবেই তেওঁৰ শেষত নিজৰ ভায়েকৰ হাতত প্ৰাণ দিব লগা হ'ল। তেওঁ চৰিত্ৰই ইয়াকে শিকাই যে মানুহ যি আছে তাতে সন্তুষ্ট হ'ব লাগে অধিক লোভ কৰাটো বেয়া কথা। নিজক লৈ ইমান অহংকাৰ নকৰিব যিয়েই আপোনাক এদিন পতন ঘটাই, ইমানলৈ নাযাব যাৰ দ্বাৰা জ্যেষ্ঠ জনক অপমানিত হয়। আৰু নাৰী সদায় সন্মান কৰিব নাৰীক অপমান কৰা মানে জানিব আপোনাৰ ভৱিষ্যত বেয়া দিশে গতি কৰিছে।




ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ ঁমহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286